# চাণক[redacted]

( অসমীয়া ভা[redacted]

৺ ৰামপতি ৰচিত।

# চাণক্য ।

( অসমীয়া ভাঙ্গনি )

---

## কবিবৰ ৺ ৰামপতিৰ

দ্বাৰা ৰচিত ।

---

শ্ৰীযোগানন্দ দত্ত দ্বাৰা

প্ৰকাশিত ।

তেজপুৰ ।

প্ৰথম ভাঙ্গৰণ ।

কলিকাতা,

৬নং কলেজ-স্কোয়াৰ, সাম্য যন্ত্ৰত,

সেখ আবদুল লতিফ দ্বাৰা মুদ্ৰিত ।

---

শঙ্কাবাব্দ ৪৬৪ ।

# পাতনি।

আজিকালি ভাৰতবৰ্ষৰ ভিতৰত অসমীয়া জাতিৰ নিচিনা নগণ্য জাতি নাই বুলিলেও বঢ়াই কোৱা নহয়। যি জাতি নগণ্য তাৰ ভাষা আৰু সাহিত্যও যে লেখৰ বাজ তাক কোৱাৰ সকাম নাই। কিন্তু দুশ বা আঢ়ৈশ বছৰৰ পূৰ্ব্বলৈকে আমাৰ দেশৰ মানুহৰ আৰু তেওঁবিলাকৰ ভাষা আৰু সাহিত্যৰ যে এনে শোচনীয় অৱস্থা নাছিল তাক বুৰঞ্জীৰ পাঠক মাত্ৰেই জানে। যি দেশৰ মানুহক আৰংজেবৰ নিচিনা প্ৰবল প্ৰতাপী দিল্লীৰ সম্ৰাটে সদৌ চেষ্টা কৰিও কৰতলীয়া কৰিব নোৱাৰিলে, যি দেশৰ ৰজাই কুৰুক্ষেত্ৰৰ যুদ্ধত বীৰ বুলি প্ৰতিগণিত হৈছিল আৰু যি দেশৰ ৰজাই নলন্দাৰ মেলাত শিলাদিত্যৰ সমানে মান পাই-ছিল, সেই দেশ যে এ সময়ত ভাৰতবৰ্ষৰ ভিতৰত এখন প্ৰসিদ্ধ দেশ আছিল তাক কোনো নিৰপেক্ষ মানুহে অস্বীকাৰ কৰিব নোৱাৰে। যি দেশৰ ভাষা আৰু সাহিত্য আলোচনা কৰি ডাক্তৰ গ্ৰিয়াৰচনৰ নিচিনা এজন বিদগ্ধ পণ্ডিতেও, এসময়ত অসমীয়া সাহিত্য বঙ্গদেশৰ সাহিত্যতকৈয়ো চহকী আছিল বুলি মত প্ৰকাশ কৰিছে, সেই ভাষা আৰু সাহিত্য যে এসময়ত অতি সমৃদ্ধি-শালী আছিল তাক আওকথকী মানুহত বাহিৰে কোনেও মুই নকৰে। কিন্তু আমি আজিকালি "ৰণত পৰি কনীয়া হৈছোঁ আৰু তেল নাই কিয়াত ফঁপৰীয়া হৈছোঁ"। অসমীয়া জাতিয়ে, অসমীয়া ভাষাই আৰু অসমীয়া সাহিত্যই আকৌ পূৰ্ব্ব গৌৰৱ

লাভ কৰিব পাৰিবনে নোৱাৰে সি ভবিষ্যতৰ গৰ্ভত ; কিন্তু দেখি মনত অলপ সন্তোষ লাগিছে যে আজিকালি অনেক শিক্ষিত অসমীয়া ডেকাই অসমীয়া সাহিত্যৰ আলোচনাত হাত দিছে ; আৰু অনেক লুপ্ত প্ৰায় অসমীয়া সাহিত্যৰ বহুমূল্য ৰত্নবিলাক, লাহে লাহে বিস্মৃতিৰ গৰ্ভৰপৰা লোক সমাজৰ আগত প্ৰকাশিত হবলৈ ধৰিছে। আৰু গবৰ্ণমেণ্টও যথাসাধ্য চেষ্টা আৰু সহায় কৰিছে। যিসকল দেশহিতৈষী মহৎলোক পুৰণি অসমীয়া সাহিত্য প্ৰকাশ কৰাত হাত দিছে তেওঁ বিলাকৰ উজ্জ্বল দৃষ্টান্ত অনুসৰণ কৰি মই আজি অসমীয়া সাহিত্যানুৰাগী লোক সকলৰ আগত এই চাণক্য পুথিখনি ধৰিলোঁ। আৰু আশা কৰিলোঁ পুথিখনিয়ে যেন তেঁও বিলাকৰ পৰা যথোচিত আদৰ পায়। চাণক্য পুথি সংস্কৃত ভাষাত ১০৮টা শ্লোকত ৰচনা কৰি চাণক্যৰ নামেৰে অভিহিত হয়। পুথিখনি আকাৰত সৰু হলেও তাৰ প্ৰতিশ্লোকই একোটি বহুমূল্য ৰত্নৰ নিচিনা। সাগৰৰ নিচিনা অসীম সংস্কৃত সাহিত্যৰ অনেক শাস্ত্ৰৰ পৰা ৰাজনীতি, সমাজনীতি আৰু গাৰ্হস্থ্য নীতি মূলক উপদেশবিলাক উদ্ধাৰ কৰি এই পুথিখনি যুগুত কৰা হৈছে। গ্ৰন্থকাৰে পাতনিত লেখিছে যে "নানা শাস্ত্ৰোদ্ধৃতং বক্ষ্যে ৰাজনীতিসমুচ্চয়ং। সৰ্ব্ববীজমিদং শাস্ত্ৰং চাণক্যসাৰ সংগ্ৰহম্॥" বাস্তবিক পক্ষেও পুথিখনিক সকলো শাস্ত্ৰৰ বীজ বোলা অযুগুত হোৱা নাই। চাণক্যৰ শ্লোকবিলাক কিমান গভীৰ উপদেশপূৰ্ণ তাক বহলাই কোৱাৰ প্ৰয়োজন নাই। বোধ কৰো ভাৰতবৰ্ষত এনে ভাষা নাই যি ভাষাত এই পুথি খনিৰ ভাঙ্গনি নাই। অসমীয়া ভাষাতো এই পুথি খনিৰ একাধিক ভাঙ্গনি দেখিবলৈ পোৱা যায়। মোৰ হাতত অসমীয়া ভাঙ্গনি দুখন পথি-

অতি দানে বলী ৰজা পাইলেক বন্ধন।
অতি দৰ্পে নষ্ট ভৈলা লঙ্কাৰ ৰাৱন॥
অতি ৰূপে সীতাৰ দুখৰ নাহি পাৰ।
তিনিয়ো নুহিকে ভাল জানা সাৰেসাৰ॥*

অসমীয়া চাণক্য।

"অতিৰূপেণ বৈ সীতা অতি গৰ্ব্বেণ ৰাৱণঃ।
অতি দানাদ্বলিৰ্বদ্ধোহ্যতি সৰ্ব্বত্ৰ বৰ্জ্জয়েৎ॥

বৃদ্ধ চাণক্য।

অতি দৰ্পে হতা লঙ্কা অতি মানেচ কৌৰবাঃ।
অতিদানে বলিৰ্বদ্ধঃ সৰ্ব্বমত্যন্ত গৰ্হিতম্॥

লঘু চাণক্য।

"নদীত বিশ্বস নাহি নাৱৰ লক্ষিত।
শৃঙ্গী অস্ত্ৰধাৰীৰ নুবুজি তাৰ চিত॥
ৰাজাত ভাৰ্য্যাত কেহো নকৰি বিশ্বাস।
ইটো ছয় অপোন নুহিকে নাপায় আশ॥ †

অসমীয়া চাণক্য।

"নখিনাংচ নদীনাংচ শৃঙ্গিনাং শস্ত্ৰ-ধাৰিণাম্।
বিশ্বাসো নৈব কৰ্ত্তব্যঃ স্ত্ৰীষু ৰাজকুলেষু চ॥

লঘু চাণক্য।

"শৃঙ্গিনাং নখিনাং চৈব দংষ্ট্ৰীনাং দুৰ্জ্জনস্যচ।
নদীনাং বসতৌ স্ত্ৰীনাং বিশ্বাসো নৈব কাৰয়েৎ।

শুক্ৰনীতি, ৩য়, অধ্যায়।

---

* বৃদ্ধ চাণক্যৰ মূলৰ লগত হে মিলিছে।
† দুয়োটাৰ লগত অলপ অমিল আছে।

"ইঙ্গিত আকাৰে কাৰ্য্য বুজিবেক
হৈবে কিছু বলৱন্ত।
নৃপতিৰ যিটো হিত মানি মনে
সদায় সেৱা কৰন্ত।
পাঞ্চিলে কৰ্ম্মক আলোচনা কৰে
সাধি আঁসে প্ৰতিনিত।
নৃপতি সকলে পাঞ্চিবাক লাগি
সেহিসে দূত উচিত॥ *

অসমীয়া চাণক্য।

"মেধাবী বাক্‌পটুঃ প্ৰাজ্ঞঃ পৰচিত্তোপলক্ষকঃ।
ধীৰো যথোক্তবাদীচ এষ দূতঃ বিধীয়তে॥"

লঘু চাণক্য।

"দূতং চৈব প্ৰকুৰ্ব্বীত সৰ্ব্বশাস্ত্ৰ বিশাৰদম্।
ইঙ্গিতাকাৰচেষ্টজ্ঞং শুচিং দক্ষং কুলোদ্গতম্॥
অনুৰক্তঃ শুচিৰ্দক্ষঃ স্মৃতিমান্ দেশকালবিৎ।
বপুষ্মান্ বীতভীৰ্ব্বাগ্মী দূতো ৰাজ্ঞঃ প্ৰশস্যতে॥

মনুসংহিতা ৭ম, অধ্যায়।

"ইঙ্গিতাকাৰ চেষ্টজ্ঞঃ স্মৃতিমান্ দেশকালবিৎ।
ষাড়্‌গুণ্য মন্ত্ৰবিদ্ বাগ্মী বীতভীৰ্দূত উচ্যতে॥

শুক্ৰনীতি ২য়, অধ্যায়।

"ভক্তোগুণীশুচিৰ্দক্ষো প্ৰগল্‌ভোঽব্যসনী ক্ষমী।
ব্ৰাহ্মণঃ পৰমৰ্ম্মজ্ঞো দূতঃস্যাৎ প্ৰতিভানবান্॥

---

* মনুসংহিতাৰ মতেহে দিল।

চেলু বিচাৰিবলৈ ধৰিলে। তেওঁ ভাবিলে যেনেকৈ হাবিজুইয়ে হাবিপোৰে তেনেকৈ ঘৰৰ শত্রুয়ে ঘৰৰ সৰ্ব্বনাশ কৰে। সেই কাৰণে তেওঁ ৰজাৰ ঘৰৰ আত্মকন্দল বিচাৰিবলৈ ধৰিলে। তেওঁ মন্ত্রীৰ মুখৰ পৰা জানিলে যে ৰজাৰ জ্যেষ্ঠ পুত্র চন্দ্রগুপ্ত অতিশান্ত স্বভাব, বুদ্ধিমান, কৃতজ্ঞ আৰু সাহিয়াল। চন্দ্রগুপ্ত ভায়েক হঁতৰ দৌৰাত্ম্যত অতি উৎপীড়িত আৰু বিৰক্ত। তেওঁকে হাত কৰিলব পাৰিলে কাৰ্য্যসিদ্ধিৰ সুযোগ ঘটিব। ইয়াকে থিৰ কৰি তেওঁক আৰু ৰজাৰ বেটী এজনাক হাত কৰি ললে। তেওঁ লোকৰ দ্বাৰা ৰজাৰ সকলো ভিতৰুৱা বাতৰি জানিব পাৰিলে। তাৰ পাচত চন্দ্রগুপ্তক ৰজা পতিম বুলি অঙ্গীকাৰ কৰি নিভৃত তপোবনত গোপনে অবস্থানপূৰ্ব্বক সেই বিলাক গৃহশত্রুৰ সহায়ত নন্দ বংশ ধ্বংস কৰিলে। তেওঁ যেনেকৈ নন্দ আৰু তেওঁৰ পুতেক কেইজনক মাৰিলে প্রভুভক্ত মন্ত্রী ৰাক্ষসৰ অশেষ যত্ন যেনেকৈ বিফল কৰিলে সেই বিষয়ে মুদ্রা ৰাক্ষস নামে প্রসিদ্ধ সংস্কৃত নাটকত বিস্তাৰিতৰূপে লিখা আছে অৱশেষত শকটাৰ মন্ত্রীয়ে নন্দ মৰাৰ পিচত নিজকৃত ৰাজদ্রোহ পাতকৰ প্রায়শ্চিত্তৰ নিমিত্তে অনাহাৰে অৰণ্যত প্রাণত্যাগ কৰিলে। *

---

* কোনা কোনোৰ মতে শকটাৰ মন্ত্রীয়ে নিজেই ৰাজাক বধ কৰিলে। তাৰপিচত নন্দৰ পুতেকহঁতে কিছুমান দিন ৰাজত্ব কৰোতে চন্দ্রগুপ্তই চাণক্যৰ মন্ত্রনা আৰু বুদ্ধি কৌশলত ভায়েকহঁতক বধ কৰি ৰজা হয়। কোনোৰ মতে চাণক্যই শ্রাদ্ধস্থলত আপমান পাই তপোবনত তিনিদিন অভিচাৰ সাধন কৰে। পূজাৰ আয়চা নিৰ্ম্মালি শকটাৰলৈ পাঠায় দিয়ে। মন্ত্রীয়ে সেই বিষময় নিৰ্ম্মালি এজনী বেটীৰ হতুৱায় ৰজাৰ অন্তেষপুৰলৈ পঠায় বেটীয়ে কোনো উপায়েৰে সেই নিৰ্ম্মালী ৰজা আৰু ৰাজকুমাৰ হঁতৰ গাত লগায় দিলে। সেই নিৰ্ম্মালী গাত লগাত তেওঁ লোক তিন দিনৰ ভিতৰতে মৰে। কোনো কোনোয়ে কয় যে চাণক্যই গুপ্তচৰৰ হতুৱাই নন্দক বধ কৰে। যেনে ঃ—"নন্দং জঘান চাণক্য

চাণক্যই সকলো শত্রু ধ্বংস কৰিলে বুলিও ৰাক্ষস মন্ত্ৰীৰ চুলিএডালকে অনিষ্ট কৰিব নোৱাৰিলে। মন্ত্ৰীয়ে যিমান পাৰে চন্দ্ৰগুপ্তৰ অনিষ্ট কৰিবলৈ সুযোগ বিচাৰিবলৈ ধৰিলে। সপুত্ৰে নন্দৰ মৃত্যুত হোৱাৰ পিচতো চন্দ্ৰগুপ্তৰ ৰাজ্য লাভ বেগতে নহৈছিল। বুদ্ধিমন্ত ৰাক্ষস মন্ত্ৰীয়ে সৰ্ব্বাৰ্থসিদ্ধি নামেৰে ৰাজভাতৃক ৰজাপতি চাণক্য আৰু চন্দ্ৰগুপ্তৰ বধৰ কাৰণে নানাৰকম ষড়যন্ত্ৰ কৰিবলৈ ধৰিলে আৰু ৰজা প্ৰজা সকলোকে চন্দ্ৰগুপ্তৰ বিৰুদ্ধে ঠিয় কৰিলে। কিন্তু একোতেই মন্ত্ৰীৰ বাসনা সিদ্ধি নহল। চাণক্যৰ বুদ্ধি কৌশলত সকলো ব্যৰ্থ হল। চাণক্যই বিপক্ষ দলক তল কৰি দুৰুহ প্ৰতিজ্ঞা সাগৰ পাৰ হল। নন্দৰ সিংহাসনত চন্দ্ৰগুপ্তক স্থাপিত কৰি নিজে মন্ত্ৰী পদ গ্ৰহণ কৰিয়ে।

কাৰ্য্যৰ গতিকে ৰাক্ষস চাণক্যৰ ঘোৰ শত্রু হলেও মন্ত্ৰীৰ নিঃস্বাৰ্থ প্ৰভু ভক্তি, কৰ্ত্তব্য কাৰ্য্যত পৰায়ন, অতিশয় বুদ্ধিমান আৰু অতি আচৰিত মন্ত্ৰনা কৌশল দেখি মনে মনে চাণক্যে তেওঁক ভক্তি কৰিছিল। চানক্যে এইটো জানিছিল যে "মই যি কুটীল নীতিত দীক্ষিত হৈছোঁসি মোৰ নিচিনা ব্ৰাহ্মণৰ অতি কলঙ্ক আৰু গৰ্হিত কাৰ্য্য। মই প্ৰতিজ্ঞা পূৰ্ণ হোৱাত এই পথ সোনকালে এৰিব লাগে। কিন্তু এই প্ৰভূভক্ত মন্ত্ৰী চন্দ্ৰগুপ্তৰ বিপক্ষ হৈ থাকিলে তেওঁৰ ৰাজত্ব কেতিয়াও নিষ্কণ্টক নহয়। ইয়াকে ভাবি স্থিৰ কৰিলে যেনে উপায়েৰে হওক ৰাক্ষসক হাত কৰি তেওঁকেই মন্ত্ৰীপদত নিযুক্ত কৰা হওক। এই মন্ত্ৰী সহায় থাকিলে চন্দ্ৰগুপ্তৰ কেতিয়াও ভয় নাই। আৰু ৰাজপদো নিষ্কণ্টক হব; ৰাজ্যও

---

তীক্ষ্ন দূত প্ৰয়োগতঃ। তদ্দুৰাস্তবিতং দূতং পশ্যেদ্ধীৰ সমন্বিতঃ॥ হিতোপদেশ বিগ্ৰহ।

ছিল। এখন মাধৱ দাসৰ আৰু আনখন ৰামপতিৰ ভণিত। যদি-বাও দুইখনি পুথি প্ৰায় মিলে তথাপি মাধৱ দাসৰ খনিত নকল কৰোতাৰ অনেক অনেক ভুল থকা দেখি। অসমীয়া ভাষাৰ পৰম হিতৈশী শ্ৰদ্ধাস্পদ শ্ৰীযুক্ত হেমচন্দ্ৰ গোস্বামী এ, এ, কমিচনাৰ মহোদয়ৰ উপদেশ মতে, মই ৺ ৰামপতিৰ খনকে সাধাৰণৰ আগত প্ৰকাশ কৰিলোঁ। এই খন পুথিত যে নকল কৰোঁতাৰ পাণ্ডি-ত্যৰ খোহাভেজাৰ হাত সাৰিছে মই তেনে কথা ক'ব নোখোজো; কিন্তু দুই খনৰ তুলনাত, এই খনি কম দূষিত বুলি বোধ হোৱাত এই খনকে প্ৰকাশ কৰা স্থিৰ কৰিলোঁ। দুই এক ঠাইত মাধৱ দাসৰ ভাঙ্গণিও বিজাই চাবৰ নিমিত্তে টীকা স্বৰূপে দিয়া হৈছে। ৺ ৰামপতিৰ ভণিত এখন পুথিৰ ওপৰতে নিৰ্ভৰ কৰি এই পুথি প্ৰকাশ কৰিব লগা হোৱাত, পুথি খনিৰ ঠায়ে ঠায়ে ভুল থাকি গল। যদি অসমীয়া জন সাধাৰণৰ অনুগ্ৰহত এই পুথিয়ে দ্বিতীয় তাঙ্গৰণ দেখিবলৈ পায় তেতিয়া আশা কৰোঁ সেই বিলাক দোষ পুথিৰপৰা যথাসাধ্যে গুচাবলৈ চেষ্টা কৰিম।

ভাঙ্গণিৰ গ্ৰন্থকাৰ ৺ ৰামপতিৰ জীৱনী সম্বন্ধেও সম্প্ৰতি তলত লিখা মতে অনুমানিৰূপে ধৰা হল। পাৰিলে পিচৰ তাঙ্গ-ৰণত এই অভাৱ পুৰ কৰিবলৈ যথাসাধ্য চেষ্টা কৰা যাব।

"১ম ভাগ 'উষাৰ ৫ম সংখ্যাত থকা "অসমীয়া সাহিত্য চণ্ডী" নামৰ প্ৰবন্ধত চণ্ডীৰ অনুবাদক ৺ ৰুচিনাথৰ পূৰ্ব্বপুৰুষ এ জনৰ নাম ৺ ৰামপতি আছিল। যদি সেই জন ৰামপতিয়েই চাণ-ক্যৰ অনুবাদক হয় তেনেহলে এওঁৰ জন্ম ঠাই আৰু কোন সময়ত আছিল চণ্ডীত উল্লেখ থকামতে যৎকিঞ্চিৎ আভাস পোৱা যায়।

চণ্ডীত লিখা মতে ৰামপতিৰ থকা ঠাই লৌহিত্যৰ উত্তৰপাৰৰ নাৰায়ণপুৰত। তেওঁ এজন কবি আছিল; ৰূদ্ৰসিংহ স্বৰ্গদেৱৰ দিনত ৰুচিনাথৰ পিতায়েক কৃষ্ণাচাৰ্য্যক * ৰংপুৰ নগৰলৈ নিয়ে। তাতে ৰুচিনাথৰ জন্ম হয়। ৰুচিনাথে ১৬৮১ শকত চণ্ডীৰ ভাঙ্গণী কৰিছে বুলি সিদ্ধান্ত কৰা হৈছে। ৰামপতি ৰুচিনাথৰ পাঁচ পুৰুষৰ ওপৰ। পুৰাতত্ত্ববিদ পণ্ডিতসকলৰ মতে তিনি পুৰুষত এশ বছৰ ধৰে। সেই দৰে হলে পাঁচ পুৰুষত ১৬৬ বছৰ হয়। তেনে হলে দুয়োৰো ভিতৰত ১৬৬ বছৰৰ আঁতৰ। ১৬৮১-১৬৬-১৫১৫ শক বা তাৰ অলপ আগপিচ বুলি ৰামপতিৰ সময় অনুমানত ধৰি ল'ব পাৰি। কোনো লোকে ইয়াতকৈ বাহুল্য ৰূপে জানে যদি অনুগ্ৰহ কৰি যেন জানিবলৈ দিব।

আজিকালি সংস্কৃত চাণক্যত যি ১০৮ অষ্টোত্তৰ শত শ্লোক আছে, এই পুথিত প্ৰায় বিলাকৰ তাৰ মূল ভাঙ্গণী নহয়। বহুতৰো অলপ নহয় অলপ লবছৰ আছে। আৰু কোনো কোনো ঠাইত উদাহৰণবিলাকতো একোটা শ্লোকৰ ভাঙ্গনী আছে। কিছুমান একেবাৰে অমিল। কম ভাগৰে-সৈতে হে মূলৰ লগত মিল। পদত যদিও "অষ্টোত্তৰ শত শ্লোক কহন্ত চাণক্য। অৰ্থ ভাঙ্গি পদবন্ধে নিবন্ধিলো তাক" বুলি কৈছে, তত্ৰাচ মূল ভাঙ্গণীৰ যি উদাহৰণ স্বৰূপে দেখুৱাইছে তাৰে সৈতে হে ১০৮টা মান শ্লোকৰ পদৰ ভাঙ্গনী হব। মূলৰ লগতে যে ইয়াৰ কিমান অমিল আছে তলত তাৰ গোটাদিয়েক উদাহৰণ স্বৰূপে দিয়া হল।

"অতি দান অতি দৰ্প নুহিকন্ত ভাল।
অতি ৰূপবতী কন্যা নুহিকন্ত ভাল॥

---

* ভবিষ্য সংগ্ৰহৰ অনুবাদকৰ নামো কৃষ্ণাচাৰ্য্য আছিল।

সুচাৰুৰূপে চলিব। চাণক্যৰ অবৰ্থ্য বুদ্ধি কৌশলত অৱশেষত সেয়ে হল। ৰাক্ষস মন্ত্ৰী লাহে লাহে সকলো সহায়ৰপৰা পৃথক হৈ চাণক্যৰ হস্তগত হল। চাণ্যক্যে যথোচিত ভক্তি আৰু সৌজন্যৰ দ্বাৰা মন্ত্ৰীক প্ৰীত কৰালে। আৰু তেওঁক প্ৰতিজ্ঞা কৰাই চন্দ্ৰগুপ্তৰ প্ৰধান মন্ত্ৰী পাতিলে। ৰাক্ষসে মন্ত্ৰী পদ গ্ৰহণ কৰাৰ পিচত নিজে ৰাজকাৰ্য্য পৰা অৱসৰ গ্ৰহণ কৰিলে।

চাণক্য এজন অদ্বিতীয় পণ্ডিত আৰু অলৌকিক প্ৰতিভাৰ লোক আছিল। বৈৰী নিৰ্য্যাতন প্ৰতিজ্ঞায় তেওঁৰ যি প্ৰতিভা কালমূৰ্ত্তি অগ্নি জ্বলিছিল, প্ৰতিজ্ঞা পালনৰ শেহত সেই প্ৰতিভাই আকৌ হোমৰ অগ্নিৰ দৰে হল। চাণক্যৰ যি তেজে বজ্ৰ অগ্নি বৰ্ষণ কৰিছিলে সেইতেজেই শেষত আকৌ অমৃত বৰ্ষণ কৰি সকলো জীবক আনন্দিত কৰিলে। ব্যাস, বাল্মিকী প্ৰভৃতি পৰম দয়ালু মহৰ্ষি সকলৰ পথ অৱলম্বন কৰি বিশ্বজনীন উপদেশশাস্ত্ৰ সৃষ্টি কৰিলে।

চাণক্যে কেনেকৈ নন্দ আৰ তেওঁৰ পুতেক হতক বধ কৰি চন্দ্ৰগুপ্তক ৰজা পাতিলে তাৰ সংক্ষেপ বিবৰণ দিয়াগল। এতিয়া তেওঁৰ নীতিশাস্ত্ৰৰ বিষয় অল্প আলোচনা কৰা যাওঁক। কিন্তু চাণক্যৰ নীতিশাস্ত্ৰৰ বিষয় আলোচনা কৰাৰ আগেয়ে যিবিলাক নীতিশাস্ত্ৰ তাৰ পূৰ্ব্বে আছিল তাৰ অনুসন্ধান কৰা আবশ্যক।

মহাভাৰতৰ ৰাজধৰ্ম্মত নীতিশাস্ত্ৰৰ বিষয়ে এইদৰে বিবৰণ পোৱা যায়।—

ততোঽধ্যায় সহস্ৰানাং শতংচক্ৰে স্ববুদ্ধিজম্।
যত্ৰ ধৰ্ম্মস্তথৈবাৰ্থঃ কামশ্চৈবাভিবৰ্ণিতঃ।

ত্রিবর্গ ইতি বিখ্যাতোগণ এব স্বয়ম্ভুবা।
চতুর্থো মোক্ষ ইত্যেব পৃথগর্থঃ পৃথগ্‌গুণঃ॥

*　　*　　*　　*　　*

ততস্তাং ভগবান্ নীতিং পূর্ব্বং জগ্রাহশঙ্কৰং।
বহুৰূপো বিশালাক্ষঃ শিবঃ স্থানুৰুমাপতিঃ॥
প্রজানামায়ুষো হ্রাসং বিজ্ঞায় ভগবান্‌শিবঃ।
সঞ্চিক্ষেপ ততঃশাস্ত্রং মহার্থং ব্রহ্মণা কৃতম্॥
বৈশালাক্ষমিতি প্রোক্তং তদিন্দ্রঃ প্রত্যপদ্যত।
দশাধ্যায় সহস্রাণি সুব্রহ্মণ্যো মহাতপা॥
ভগবানপি তচ্ছাস্ত্রং সঞ্চিক্ষেপ পুৰন্দৰঃ।
সহস্রৈঃ পঞ্চভিস্তাত যদুক্তং বাহুদন্তিকম্॥
অধ্যায়ানাং সহস্রৈস্তু ত্রিভিৰেব বৃহস্পতিঃ।
সঞ্চিক্ষেপেশ্বৰো বুদ্ধ্যা বার্হস্পত্যং যদুচ্যত॥
অধ্যায়ানাং সহস্রেণ কাব্যঃ সংক্ষেপ মব্রবীৎ।
তচ্ছাস্ত্রমমিতপ্রজ্ঞো যোগাচার্য্যো মহাযশাঃ॥
এবং লোকানুৰোধেণ কাব্যমেতম্মহর্ষিভিঃ।
সংক্ষিপ্তমায়ুর্বিজ্ঞায় মর্ত্ত্যানাং হ্রাসমেবচ।"*

---

* ব্রহ্মাই পৃথিবীৰ মানুহৰ কাৰণে একলাখ অধ্যায়ৰ নীতিশাস্ত্র প্রনয়ন কৰে। শিবই ব্রহ্মাৰ পৰা সেই নীতিশাস্ত্র পাই, আৰু ক্রমে মানুহৰ আয়ুৰ কম হোৱা দেখি তাকে সংক্ষিপ্ত কৰি দহ হাজাৰ অধ্যায়ত প্রণয়ণ কৰিলে, শিবৰ এটা নাম বিশালাক্ষ, এই কাৰণে শিবপ্রণীত নীতি শাস্ত্রৰ নাম বৈশালাক্ষ। ইন্দ্রই শিব প্রণীত নীতিশাস্ত্রকে সংক্ষিপ্ত কৰি পাঁচ হাজাৰ অধ্যায়ত প্রণয়ন কৰে। ইন্দ্রৰ এটানাম বহুদন্তী এই কাৰণে ইন্দ্র প্রণীত নীতি শাস্ত্রক বাহুদন্তিক বোলে। বৃহস্পতিয়ে ইন্দ্রপ্রণীত নীতিশাস্ত্রক সংক্ষেপ কৰি তিনিহাজাৰ অধ্যায়ত প্রণয়ন কৰিছিল। বৃহস্পতি প্রণীত নীতিশাস্ত্রক বার্হস্পত্য বোলে। শুক্রাচাৰ্য্য বৃহস্পতি প্রণীত শাস্ত্রকে এহেজাৰ অধ্যায়ত প্রণীত কৰে। সেই কাৰণে

মহাভাৰতৰ ৰাজধৰ্ম্ম আৰু এঠাইত আছে ।—

বিশালক্ষশ্চ ভগবান্ কাব্যশ্চৈব মহাতপাঃ ।
সহস্ৰাক্ষো মহেন্দ্ৰশ্চ তথাপ্ৰাচেতসো মনুঃ ॥
ভাৰদ্বাজশ্চ ভগবান্ তথা গৌৰশিৰামুনিঃ ।

মহাভাৰতৰ পিচৰ গ্ৰন্থ বিলাকতো নীতিশাস্ত্ৰ বিষয়ে এনে বহুত প্ৰমান আছে। কামন্দক-নীতিৰ প্ৰাচীন আৰু প্ৰামাণিক টীকাকাৰে এইদৰে লিখিছে।

ব্ৰহ্মাধ্যায় সহস্ৰাণাং, শতংচক্ৰে স্ববুদ্ধিজম্ ।
তন্নাৰদেন শক্ৰেণ গুৰুণা ভাৰ্গবেণচ ॥
ভাৰদ্বাজ বিশালাক্ষ ভীষ্মপাৰাশৰৈস্তথা ।
সংক্ষিপ্তং মনুনাচৈব তথা চান্যৈৰ্ম্মহৰ্ষিভিঃ ॥
প্ৰজানামায়ুষো হ্ৰাসং বিজ্ঞায়চ মহত্মনা ।
সংক্ষিপ্তং বিষ্ণুগুপ্তেন নৃপানামৰ্থ সিদ্ধয়ে ॥*

অৰ্থাৎ ব্ৰহ্মাই প্ৰথমে এক লাখ অধ্যায়ক নীতিশাস্ত্ৰ সৃষ্টি কৰে। সেই নীতি শাস্ত্ৰকে সংক্ষেপ কৰি ক্ৰমে নাৰদ, ইন্দ্ৰ, বৃহস্পতি, শুক্ৰ, ভাৰদ্বাজ, শিব, ভীষ্ম, ব্যাস, মনু আদি অন্যান্য মহৰ্ষি সকলে নীতিশাস্ত্ৰ প্ৰণয়ন কৰে। লাহে লাহে যেতিয়া মানুহৰ পৰমায়ু কমহৈ আহিবলৈ ধৰিলে, সেই বিলাক বাহুল্য নীতি শাস্ত্ৰ সকলোৰ পক্ষে আয়ত্ত কৰা অসাধ্য হল। তেতিয়া মহাত্মা চাণক্য আবিৰ্ভূতহৈ সেই বিলাক শাস্ত্ৰৰ সাৰ উদ্ধাৰ

---

তেওঁৰ প্ৰণীত নীতিশাস্ত্ৰক ঔশনস বোলে। মহৰ্ষি সকলে ক্ৰমে মানুহৰ পৰমায়ু কমহোৱাৰ লগে লগে এইদৰে নীতিশাস্ত্ৰও সংক্ষেপ কৰিছে।

* ভগবান শিব, শুক্ৰাচাৰ্য্য, ইন্দ্ৰ, প্ৰজাপতি মনু, ভৰদ্বাজ, গৌৰশিৰা প্ৰভৃতি ব্ৰহ্মবাদী সকল ৰাজনীতি শাস্ত্ৰৰ প্ৰণেতা।

কৰিলে। কোৱা আছে চাণক্যৰই নিজৰ নীতিশাস্ত্ৰক ছয় হেজাৰ শ্লোকেৰে সম্পূৰ্ণ কৰিছিল। তাৰ প্ৰমাণ প্ৰাচীন কবি আৰু আলঙ্কাৰিক আচাৰ্য্য দণ্ডীধৰ দশকুমাৰ চৰিত্ৰ গ্ৰন্থৰ বিশ্ৰুত চৰিতৰ এঠাইত এইদৰে লিখা আছে। "অধীষ্ব তাবদ্দণ্ড নীতিম্। ইয়মিদানীমাচাৰ্য্যবিষ্ণুগুপ্তেন মৌৰ্য্যাৰ্থে ষড়্‌ভিঃশ্লোকসহস্ৰৈঃ সংক্ষিপ্তা॥ অৰ্থাৎ ৰাজনীতি শাস্ত্ৰ অধ্যয়ন কৰা। এতিয়া আচাৰ্য্য বিষ্ণুগুপ্ত অৰ্থাৎচাণক্য, মৌৰ্য্যবংশীয় চন্দ্ৰগুপ্তৰ কাৰণে এই নীতিশাস্ত্ৰ ছয় হেজাৰ শ্লোকত সংক্ষেপে ৰচনা কৰিছে। সেই গ্ৰন্থৰে আন এঠাইত প্ৰাচীন আৰ্য্যযুগৰ নীতিশাস্ত্ৰ কাৰনিক লৰ বিষয়ে এইদৰে আছে :—যেহাপি মতিকৰ্কশাস্ত্ৰন্ত্ৰকাৰী শুক্ৰ দিবস।

বিশালাক্ষ বহুদন্তি পুত্ৰ পৰাশৰ প্ৰভৃতয়ঃ

দশকুমাৰ ৰচিত, ৮ম উচ্ছাস।

ওপৰত লিখা প্ৰমান বিলাকৰ পৰা বুজা যায় যে আৰ্য্যযুগৰ শেষত চাণক্যই নীতিশাস্ত্ৰৰ প্ৰথম সংস্কাৰক। সুপ্ৰসিদ্ধ নীতিসাৰ নামক নীতিশাস্ত্ৰৰ ৰচয়িতা কামন্দক চাণক্যৰ এজন প্ৰধান শিষ্য আছিল। যি সময়ত চাণক্যৰ সহায়ত চন্দ্ৰগুপ্তে নন্দবংশ ধ্বংস কৰি পাটলিপুত্ৰত ৰাজসিংহাসনত বহে। সেই সময়ত কামন্দকে "নীতিসাৰ" গ্ৰন্থৰ প্ৰণয়ন কৰি কিতাপ খনি চন্দ্ৰগুপ্তৰ নামে উচৰ্গা কৰে। সেই কিতাপত গ্ৰন্থকাৰে মঙ্গলাচৰণত চাণক্যৰ বিষয়ে এইদৰে লিখিছে।—

"বংশে বিশাল বংশ্যানামৃষীণামিব ভূয়সাম্।
অপ্ৰতিগ্ৰহকাণাং যো বভূব ভুবি বিশ্ৰুতঃ॥

জাতবেদা ইবার্চ্চিষ্মান্ বেদান্ বেদবিদাং বৰঃ।
যোঽধীতবান্ সুচতুৰশ্চতুৰোঽপ্যেক বেদবৎ ॥
যস্যাভিচাৰবজ্রেণ বজ্রজ্বলনতেজসঃ।
পপাতমূলতঃ শ্রীমান্ সুপর্ব্বা নন্দপর্ব্বতঃ ॥
একাকী মন্ত্রশক্ত্যা যঃ শক্ত্যা শক্তিধৰোপমঃ।
আজহাৰ নৃচন্দ্রায় চন্দ্রগুপ্তায় মেদিনীম্ ॥
নীতিশাস্ত্রামৃতং ধীমানর্থ শাস্ত্রমহোদধেঃ।
সমুদ্দধ্রে নমস্তস্মৈ বিষ্ণুগুপ্তায় বেধসে ॥

সেই গ্রন্থৰে এঠাইত লিখা আছে ব্রহ্মাই প্রজা পালনৰ কাৰণে একলক্ষ অধ্যায়ৰ ত্রিবর্গ বিষয়ক নীতিশাস্ত্র প্রণয়ন কৰে। স্বায়ম্ভুব মনুয়ে সেই শাস্ত্রৰ ধর্ম্মপ্রকৰণ লৈ এখন নীতিশাস্ত্র ৰচনা কৰে বৃহস্পতিৰ বাহুল্য অর্থশাস্ত্রৰ সাৰ উদ্ধাৰ কৰি চাণক্যে এখন নীতিশাস্ত্র ৰচনা কৰে। * ইয়াৰ এটা প্রমাণ যে অনেক ঠাইত বৃহস্পতিৰ শ্লোক আৰু শ্লোক অংশেষে চাণক্য শ্লোক মিল দেখা যায়। কেইটামান উদাহৰণ স্বরূপে তলত দিয়া হল।

১। যো ধ্রুবাণি পৰিত্যজ্য অধ্রুবাণিচ সেবতে ॥
ধ্রুবাণি তস্য নশ্যন্তি অধ্রুবং নষ্টমেবচ ॥

২। গুণবন্তং নিযুঞ্জীত গুণহীনং বিবর্জ্জয়েৎ।
পণ্ডিতস্য গুণাঃ সর্ব্বে মূর্খে দোষাশ্চ কেবলম্ ॥

---

* "তথা চোক্তং কামসূত্রেঽস্মদ্‌গুৰুণা, 'প্রজাপতিহি প্রজা সৃষ্টা তাসাং স্থিতিনিবন্ধনং ত্রিবর্গস্য শাসনম্ অধ্যায়ানাং শত সহস্রানগ্রে প্রোবাচ। তস্যৈক দেশং স্বায়ম্ভুবো মনুধর্ম্মাধিকাৰৈকং পৃথক্ চকাৰ। বৃহস্পতিৰর্থাধিকাৰিকমিতি। তত্রলক্ষাধ্যায়ভূতীয় ভূতীয়াংশেন কোটিগ্রন্থবিস্তৃতং সম্ভাব্যত এবার্থ শাস্ত্রম্। তদেবগাম্ভীর্য্যাৎ মহা প্রমাণত্বাচ্চ মহোদধিৰিব। তস্মাৎ যউদ্দধ্রে উদ্ধৃতবান।"

৩। ন কশ্চিৎ কস্যচিন্মিত্রং নকশ্চিৎ কস্যচিদ্রিপুঃ।
কাৰণাদেব জায়ন্তে মিত্ৰানি ৰিপবস্তথা ॥

৪। কুভার্য্যাং চ কুমিত্রং চ কুৰাজানং কুসৌহৃদম্ ॥
কু বন্ধুং চ কুদেশং চ দূৰতঃ পৰিবৰ্জ্জয়েৎ ॥

বৃহস্পতি নীতি।

এতিয়া ভালেমান শাস্ত্রীয় প্রমাণৰ দ্বাৰা বুজা যায় যে চাণক্যাই ছয় হেজাৰ শ্লোক থকা এখন ৰাজনীতি প্ৰণয়ণ কৰে। চাণক্যৰ নীতিশাস্ত্রক তেওঁৰ পিচৰ কোনোবা পণ্ডিতে তাতকৈ সংক্ষেপ কৰি বৃদ্ধচাণক্য নাদিছিল। অৱশেষত তেওঁৰ পিচৰ পণ্ডিতে একেবাৰে সংক্ষেপ কৰি লঘুচাণক্য ৰচনা কৰে। বৃদ্ধচাণক্যৰ কোনো গ্রন্থত ১৭ অধ্যায় আৰু ৩৪২টা শ্লোক, কোনো কিতাপত তাতকৈয়ো বেচি অধ্যায় আৰু শ্লোক, আৰু কোনো কিতাপত ৮ অধ্যায় আৰু এহেজাৰ শ্লোক দেখা যায়। লঘু চাণক্যৰ বেচিভাগ কিতাপতে ১০৮টা শ্লোক আছে। ভিন ভিন দেশত আদর্শ পুথিত শ্লোক বিলাক কম বেচি আৰু লৰচৰ দেখা যায়; সিকেৱল লেখকৰ দোষত। লেখক সকলে প্ৰায় সকলো গ্রন্থত নিজৰচিতশ্লোক, শ্লোকৰ অংশ আৰু কোনো ঠাইত নিজ ইচ্ছাৰে একো অধ্যায়কৈ লগাই দিছে। কোনোয়ে, অসম্পূর্ণ গ্রন্থত নিজৰচিত দ্বাৰা মূলৰ অভাবপূর্ণ কৰিছে।

চাণক্য শ্লোকৰ আৰম্ভনতে এই কিতা শ্লোক দেখা যায়।—

"আ শৈশবাৎ জননি বাণি! পদাৰবিন্দম্।
আসেবিতং তব তথা প্রণিপত্য যাচে।
চাণক্য পণ্ডিত ৰৰাভি মতাৰ্থ সাৰ্থ
ভাবপ্রকাশনবিধৌন যথোপহাসঃ॥"

"নামাশাস্ত্রোদ্ধৃতং বক্ষ্যে ৰাজনীতি সমুচ্চয়ম্।
সৰ্ব্ববীজ মিদং শাস্ত্রং চাণক্যসাৰসংগ্রহম্॥
মূলসূত্রং প্রবক্ষ্যামি চাণক্যেন যথোদিতম্।

ইয়াৰপৰা বুজা যায় যে আনকোনো পণ্ডিতে চাণক্য প্ৰণীত গ্ৰন্থৰ পৰা সাৰ উদ্ধাৰ কৰি এই লঘু চাণক্য প্ৰচাৰ কৰিছে। নহলে চাণক্যে নিজে লিখি সেইদৰে কোৱা সম্ভৱ ন হয়। আৰু শাস্ত্ৰীয় প্ৰমাণৰ পৰা ও বুজা যায় যে উৎপত্তিৰে পৰা আৰম্ভ কৰি ক্ৰমান্বয়ে নীতিশাস্ত্ৰ সংক্ষিপ্ত হৈ আহিছে। তাৰপৰাও অনুভৱ কৰিব পাৰি যে চাণক্যৰ নীতিশাস্ত্ৰৰ পৰা সাৰ উদ্ধাৰ কৰি আন কোনো পণ্ডিতে ক্ৰমান্বয়ে বৃদ্ধচাণক্য আৰু লঘুচাণনক্য প্ৰণয়ন কৰে।

তেজপুৰ,
৪ আহাৰ, ১৮৩৫।

শ্ৰীযোগানন্দ দত্ত।

# চাণক্য।

## শ্ৰীশ্ৰীকৃষ্ণায় নমঃ।

জয় জয় কৃষ্ণদেৱ অনাদি অনন্ত।
পৰম পুৰুষ সদানন্দ ভগৱন্ত॥
তোমাৰ চৰণে কৰোঁ কোটি নমস্কাৰ।
হৃদয়ত থ'কি জ্ঞান দিয়োক আমাৰ॥
তযু কৃপা বিনে সবে মিছা পুৰুষাৰ্থ।
তযু অনুগ্ৰহ বিনে সবে হয়ে ব্যৰ্থ।
এতেকে তোমাৰ পাৱে কৰোহোঁ কাতৰ।
পদ বিৰচিবে মন কৰোঁ চাণক্যৰ॥
হৃদয়ত থাকি জ্ঞান দিয়ো প্ৰতি নিত।
বহু কথা দেখি পদ বিৰচিবোঁ চিত॥
সমস্ত শাস্ত্ৰৰ কথা কহন্ত চাণক্যে।
প্ৰস্তাৱৰ বাক্য ব্যক্ত কৰিবোঁ উৎসুকে॥
নপঢ়য় আন শাস্ত্ৰ ইহাক পঢ়য়।
তথাপিতো সিটো সভা পণ্ডিত হোৱয়॥

অষ্টোত্তৰ শত শ্লোক কহন্ত চাণক্যে।
অর্থ ভাঙ্গি পদবন্ধে নিবন্ধিলোঁ তাকে।
জ্ঞানৰ সদৃশ আক জানিবা সম্প্ৰতি।
কথাৰ সদৃশ বিৰচিলা ৰাম পতি॥

---

প্ৰথমতে কহোঁ শুনা বিষৰ লক্ষণ। (১)
এক বিষ বহু নিদ্ৰা নাহিকে চেতনা॥
এক বিষ ৰাত্ৰিকালে কৰয় গমন।
আৰু এক বিষ জানা অজীর্ণ ভোজন॥
নিজে বিষ খাই মৰে নাহিকে সংশয়।
এহি পাঞ্চ বিধ বিষ জানিবা নিশ্চয়॥*

---

(১) বিষং চঙ্ক্ৰমণং ৰাত্ৰৌ বিষং ৰাজ্ঞোঽনুকুলতা
বিষং স্ত্ৰিয়োঽপ্যন্যৰতা বিষং ব্যাধি ৰবীক্ষিতঃ।
অনভ্যাসে বিষং বিদ্যা চাজীর্ণে ভোজনং বিষং
বিষং গোষ্ঠী দৰিদ্ৰস্য বৃদ্ধস্য তৰুণী বিষং।

বি জোৰা।—
এক বিষ বৃক্ষ মূলে কৰন্ত শয়ন।
এক বিষ ৰাত্ৰি কালে কৰন্ত ভ্ৰমণ॥
এক বিষ বহু নিদ্ৰা নাহিকে চেতনা।
আৰু এক বিষ জানা অজীর্ণ ভোজন॥
নিজে বিষ খাই মৰে নাহিকে সংশয়।
এহি পাঞ্চ বিধ বিষ কহিলাঁ নিশ্চয়॥
মাধৱদাস।*

চোৰত নাহিকে সত্য নাহি দুৰ্জ্জনত। (২)
স্ত্ৰীকুলে নাহিকে সত্য নাহি চাকৰত ॥*
অৰণ্য মধ্যত পুষ্প ঘ্ৰাণ মাত্ৰ পাই। (৩)
ঘোৰ অৰণ্যত আনিবৰ শক্য নাই ॥
বিদুৰৰ বন্ধু ভৈলে জানা সেহি প্ৰায়।
আছে বুলি জানি তাক দেখিতে নাপায় ॥
ৰূপৱন্ত গুণৱন্ত যুবক্ত শৰীৰ। (৪)
উত্তম কুলত জন্ম পৰম গম্ভীৰ ॥
বিদ্যা হীন ভৈলে তাক নকৰে প্ৰকাশ।
পলাশ ফুলৰ যেন হানি গন্ধ বাস ॥
দুষ্ট ভাৰ্য্যা শঠ মিত্ৰ দুৰ্জ্জন লস্কৰ। (৫)
নাহি কন্ত উদগতি সিটো গৃহস্থৰ ॥

---

(২) ... ... ... ...

(৩) ... ... ... ...

(৪) ৰূপযৌবন সম্পন্না বিশাল কুল সম্ভবাঃ
বিদ্যাহীনা নশোভন্তে নির্গন্ধাইব কিংশুকাঃ।

(৫) দুষ্টা ভাৰ্য্যা শঠং মিত্ৰং ভৃত্যশ্চোত্তৰ দায়কঃ
সসৰ্পেচ গৃহে বাসো মৃত্যুৰেব নসংশয়ঃ।

ৰিজোৰ্ৰা।—
চোৰত গৰুত সত্য নাহিকে কিঞ্চিৎ।
বৈদ্যত নাহিকে সত্য নাহি মদাহীত ॥

গৃহত সদায় সর্পে নিবাস কৰয় ।
মৰিবাক লাগি তাৰ নাহিকে সংশয় ॥
ভোজনক প্ৰশংসা কৰিবা জীৰ্ণ গৈলে । (৬)
নিজ ভাৰ্য্যা প্ৰশংসিবা বৃদ্ধ কাল ভৈলে ॥
শস্যক প্ৰশংসা কৰা চাপিলে গৃহত ।
পুত্ৰক প্ৰসংশা কৰা জিনিলে ৰণত ॥
নুহিকে নৃপতি বিদ্যাৱন্ত সমসৰ । (৭)
নৃপতিক কৰিজানা বিদ্বান ডাঙ্গৰ ॥
আপোনাৰ দেশে নৃপতিক পূজা কৰে ।
বিদ্যাৱন্ত ভৈলে পূজা কৰয় সংসাৰে ॥
তাড়ণা নভৈলে গাধা ভাৰ নবহয় । (৮)
কপট দেহিক দণ্ড কৰিতে লাগয় ॥
গ্ৰাম দণ্ড প্ৰজাক কৰিতে লাগে দঁড়ি ।
তেবে কাৰ্য্য সিদ্ধি হবে উঠে ৰাজ কড়ি ॥

---

(৬) জীৰ্ণ মন্নং প্ৰসংসীয়াদ্ ভাৰ্য্যাংচ গত যৌবনাম্
ৰণাৎ প্ৰত্যাগতং পুত্ৰং (শূৰং) শস্যংচ গৃহমাগতম্ ॥

(৭) বিদ্বত্বঞ্চ নৃপত্বঞ্চ নৈব তুল্যং কদাচন
স্বদেশে পূজ্যতে ৰাজা বিদ্বান সৰ্ব্বত্ৰ পূজ্যতে ।

(৮) ... ... ... ...

দণ্ডিলেসে কৰ্ম্ম কৰে এহি তিনিজন।
ভালমুখে চাহিলে নিসিজে একো বন।
বিষৰ মধ্যন্ত যদি অমৃত থাকয়। (৯)
তথাপিতো নৰে তাক আনিয়া খাৱয়॥
বিষ্ঠাৰ মধ্যত যদি সুবৰ্ণ থাকয়।
নুহিকন্ত অপবিত্ৰ আনিবাক পায়॥
নীচ সামান্যত যদি থাকে বিদ্যাগণ।
তাহাত শিখিয়া লৈব কৰিয়া যতন।
সামান্য কুলত যদি কন্যাৰত্ন থাকে।
উত্তমে আনক তাক কহন্ত চাণক্যে॥
থাকন্ত উত্তম বস্তু অধমৰ ঠাই।
নুহি অপবিত্ৰ তাক আনিবাক পায়।
দান পুণ্য নকৰে নাহিকে লজ্জা ভয়। (১০
হৰি সেৱা নকৰয় যিটো দুৰাশয়॥
এহি পাঞ্চ গোটা কৰ্ম্ম নাহি যি জনত।
এক তিল না থাকিবা তাহাৰ লগত॥

---

(৯) বিষাদ প্যমৃতং গ্ৰাহ্যং অমেধ্যাদপি কাঞ্চনম্
নীচাদপ্যুত্তমাং বিদ্যাং স্ত্ৰীৰত্নং দুস্কুলাদপি।

(১০) ... ... ... ...

তাৰ লগে সম্ভাষন হৈবে মুহি ভাল।
তাহাক নৃপতি তেজিবন্ত সৰ্ব্বকাল॥
তেজিবন্ত আলাসি লুভীয়া যিটোজন। (১১)
কপটীক তেজিবা নাপাই তাৰ মন॥
চোৰ খট দাম্ভীকক নেদিবন্ত ঠাই।
অল্প বস্তু পাইলে তাৰ মন তুষ্ট নাই॥
নৃপতিক সেৱা কৰি বাক নাইমন।
বস্তুক লালসে সেৱে পৰম দুৰ্জ্জন॥
লাটি মূটি কৰিয়া এৰাই থাকে কৰ।
ই সবক দূৰ কৰি খেদিবা নগৰ॥
লগত ৰাখিবে ভাল নুহিকে তাহাক।
শুনা প্ৰজাগণে তেজে যিসব ৰাজাক॥ (১২)
অতি যদি উগ্ৰ ভৈল পৰম দুৰ্জ্জন।
খাইবে দিবে নপাৰে ধনক মাত্ৰ মন॥
দুষ্ট জানি প্ৰজায়ে কৰিব পৰিহাৰ।
দেশত যশস্যাহীন হোৱয় তাহাৰ॥
হৈবন্ত শীতল ৰাজা অতি গুণৱন্ত। (১৩)
সত্যক নেৰিব ৰাজা হৈবে ধৰ্ম্মৱন্ত॥

---

(১১) … … … …
(১২) … … … …
(১৩) … … … …

দয়ালু হৈবন্ত অতি নাইব আক্রোশী।
তাকেসে পাতিব ৰাজা পৰম আখ্যাদি ॥
অতিশান্ত ধীৰমতি ভৈলে নুহি ভাল। (১৪)
তাক ভয় প্ৰজাৰে নকৰে একো কাল ॥
তাৰমন একোয়ে নপায়ে প্ৰজাগণ।
নচাইব আপোন পৰ কৰিবে তাড়ণ ॥
নামানে দুৰ্জ্জনে নৃপতিত লাই পায়া।
ডাটিবে মুখত পেটে নাচাৰিবে দায়া ॥
নকৰিব ভেদ বুদ্ধি সবাতে সমান।
দুৰ্জ্জনক লাই দিলে পাই অপমান।
নৃপতিত লাই পাইলে নকৰয় ভৰ।
সন্তক কৰয় পীড়া নুগুছে ঝগৰ ॥
দুৰ্যোধনে যেন নৃপতিত লাই পায়।
আৰু তাৰ সখা ভৈল শকুনী মমাই ॥
কৰ্ণ দুঃশাসনে নৃপতিত পাই আশ।
হিংসা কৰি পাণ্ডৱক দিলা বন বাস।
দুৰ্জ্জন বাৱণে মহেশৰ পাই আশ।
উপাৰিলা শঙ্কৰৰ পৰ্ব্বত কৈলাস ॥

---

(১৪) ... ... . ...

কৈকেয়ী যেহেন নৃপতিত লাই পাই ।
ৰামক পঠাইলা বনে দেশৰ ভকাই ॥
সূৰ্পনখা লাই পায় ৰাম লক্ষণত ।
সীতাক খাই বাক খোজে ৰামৰ আগত ॥
লাই পাই গোপীগণে ৰহস্যৰ বেলা ।
গোপীগণে কৃষ্ণক কৰিলা অবহেলা ॥
জানিকেহো দুৰ্জ্জনক নেদিবাহা লাই ।
দুষ্টৰ কাৰণে আপুনিয়ো দুখ পাই ।
ভালে থাকে মানে সজ্জনক সেৱা কৰে ।
ছল পাইলে সেই নৃপতিক পাৰিধৰে ॥
ধনী বৈদ্য যথাত নাথাকে দ্বিজবৰ । (১৫)
ৰাজা নদী না থাকিলে নবান্ধিবা ঘৰ ॥
এহি প'ঞ্চ না থাকিলে নবহিবা তাত ।
শুনা এবে কহিবো বিশ্বাস নাহি যাত ॥
নদীত বিশ্বাস নাহি নাৱৰ লক্ষিত । (১৬)
শৃঙ্গী অস্ত্ৰধাৰীৰ নুবুজি তাৰ চিত ।

---

(১৫) ধনিনঃ শ্ৰোত্ৰিয়ো ৰাজা নদী বৈদ্যস্তু পঞ্চমঃ
পঞ্চ যত্ৰ ন বিদ্যন্তে তত্ৰবাসং নকাৰয়েৎ ॥

(১৬) নখিনাংচ নদীনাংচ শৃঙ্গিণাং শস্ত্ৰ ধাৰিণাং ।
বিশ্বাসো নৈব কৰ্ত্তব্যঃ স্ত্ৰীষু ৰাজকুলেষুচ ॥

বাজাত ভাৰ্য্যাত কেহো নকৰি বিশ্বাস।
ইটো ছয় আপোন মুহিকে নপায় আশ॥
ইসবৰ কদাচিতো নাহি আত্মা পৰ।
শুনা আৰু পাশ নাচাপিবা যিসবৰ॥
হস্তীৰ ওচৰ নাচাপিবা একোনৰ। (১৭)
দেখিলে সহস্ৰ হাত হৈবাহা অন্তৰ॥
শত হাত অন্তৰ হৈবাহা ঘোটকৰ।
দশহাত অন্তৰ হৈবাহা বৃষভৰ॥
দুষ্টে আক্ৰমিলে এৰিবাক লাগে দেশ।
শুনিযো যাহাত লৈবা গুণ উপদেশ॥ (১৮)
সিংহ বকে দুই গুণ কুকুৰাত চাৰি।
কাউৰত পাঞ্চগুণ লভিবা বিচাৰি॥
কুকুৰত ছয় গুণ গৰ্দ্দভত তিনি।
শুনিয়ো সবাৰে গুণ কহো ভিন্নি ভিন্নি॥
অলপ কাৰ্য্যক নৰে কৰিব সত্বৰ। (১৯)
জাৰ শীত উষ্ণ বুলি আলাস নকৰ॥

---

(১৭) হস্তী হস্ত সহস্ৰেণ শত হস্তেন বাজিনঃ
শৃঙ্গিণো দশহস্তেন স্থান ত্যাগেন দুৰ্জ্জনঃ।
(১৮) সিংহাদেকং বকাদেকং ষটশুনঃ ত্ৰীনি গৰ্দ্দভাৎ।
বায়সাৎ পঞ্চশিক্ষেত চত্বাৰি কুক্কুটাদপি।
(১৯) প্ৰভূতমল্পং কাৰ্য্যং বা যো নৰঃ কৰ্ত্তুমিচ্ছতি
সৰ্ব্বাৰম্ভেণ তৎকুৰ্য্যাৎ সিংহাদেকং প্ৰকীৰ্ত্তিতম্।

শীঘ্রে কর্ম্ম কৰিবেক নকৰি বিশ্ৰাম।
সিংহত শিখিবে গুণ এহিসে উত্তম॥
যদি শত্ৰুগণক জিনিবে মন থাকে। (২০)
সুহি তেবে আন কোন কর্ম্ম কৰিবাকে॥
কৰিবাক নপাৰিলে চর্চ্চাযো নকৰি।
ছলক চাহিয়া থাকিবন্ত ধৈৰ্য্য ধৰি॥
বগে যেন চুম্পি থাকে ছলমাত্ৰ চাই।
ঠোটে ধৰি মাৰে মৎস্য এৰন নাযায়॥
এহি মতে নৰে কৰিবেক কর্ম্ম গণ।
বগৰ এহি সে গুণ পৰম শোভণ॥
এবে চাৰি গুণ কহো শুনা কুকুড়াৰ। (২১)
নাখাই কাহাকো এৰি পুত্ৰ পৰিবাৰ॥
প্ৰভাতে উঠিয়া বোলে সূত্ৰ বচন।
দুই পায়ে আঙ্গুৰিয়া কৰয় ভোজন॥
কুকুৰাত চাৰি গুণ জানিবা সকল।
প্ৰভাতে উঠিয়া বাক্য বুলিবা কোমল॥

---

(২০) সর্ব্বেন্দ্রিয়ানি সংযম্য বকবৎ পণ্ডিতো জনঃ
দেশ কালোপ পন্নানি সর্ব্বকার্য্যানি সাধয়েৎ।
(২১) যুদ্ধংচ প্ৰাতৰুথানং ভোজনং সহ বন্ধুভিঃ
স্ত্ৰিয়মাপদ্গতাং ৰক্ষেৎ চতুঃ শিক্ষেত কুক্কুটাৎ।

যদি কোন বস্তু আসিহোয়ে উতপন্ন ।
ভার্য্যা পুত্রে বিবর্ত্তিয়া কৰয় ভোজন ॥
যদি কৰ্ম্ম কৰন্তা থাকয় বহুজন ।
তভোনৰে কৰ্ম্ম কৰি কৰয় ভোজন ॥
এহি চাৰি গোটা গুণ হৈব পুৰুষৰ ।
এবে পাঞ্চ গুণ কহো শুনা কাউৰৰ ॥
গুঢ় মৈথুনক তাৰ নজানয় আনে । (২২)
ধাতু খাদ কৰি যিবাৰ কাৰণে ॥
পাচক লাগিয়া সাঞ্চি থৱয় গুধূলি ।
আগ পাচ চাই ফুৰে মুকলক বুলি ॥
শীত উষ্ণ বুলিয়া আলাস নকৰন্ত ।
সভয়ে ডৰুক জাতি মুহি দন্তৱন্ত ॥
পৰম চতুৰ বুদ্ধিমন্ত যিটোজন ।
কাকত শিখিয়া লৈব কৰিয়া যতন ॥
এহি ভাৱে কৰ্ম্ম কৰিবেক যতনৰ ।
এবে চয় গুণ কহোঁ শুনা কুকুৰৰ ॥

---

(২২) গূঢ়ং চ মৈথুনং ধাৰ্ষ্ট্যং ; কালে কালে চ সংগ্ৰহম্
অপ্ৰমাদ মনালস্যং পঞ্চশিক্ষেত বায়সাৎ ।

বিস্তৰত আশা অলপতে হয়ে তুষ্ট। (২৩)
পাৱে যদি ভোজন কৰয় হৃষ্ট পুষ্ট ॥
নপালেয়ো মনত নাহিকে অপমান।
পৰিলে আসেনিদ্ৰা লগতে চেতন ॥
গৃহস্থৰ ভক্ত একো বচন নবাধে।
পাৰে বা নোৱাৰে যেই বোলে তাকে সাধে ॥
নাহিকে কোমল বাক্য স্বভাবে দুৰ্জ্জন।
আত্মাত নাহিকে সত নুবুজিয়া মন ॥*
জাতিত অধম পশু জ্ঞানত বিস্তৰ।
ভালক নোচোৱে জানি নপসয় ঘৰ ॥
এহি ছয় গোটা গুণ হৈব কুকুৰৰ। †
এবে তিনি গুণ কহো শুনা গৰ্দ্দভৰ ॥

---

(২৩) বহ্বাশী স্বল্প সন্তুষ্টঃ সুনিদ্রঃ শীঘ্র চেতনঃ
প্রভুভক্তশ্চ শূৰশ্চ জ্ঞাতব্যাঃ ষট্ শুনো গুণাঃ

অন্তত নাহিকে ৰতি নুবুজন্ত মন।
—পাঠান্তৰে

ওপৰঞ্চি—
এহি ছয় গোটা গুণ জানা মনুষ্যৰ।
পৰমচতুৰ বুদ্ধিমন্ত যিটো নৰ ॥
অল্পতে সন্তোষ হোৱে নোখোজয় ভাল।
অল্প নিদ্ৰা হৈব জানিবন্ত তত্বকাল ॥

অবিশ্ৰান্তে আপোনাৰ কৰ্ম্মক কৰিব। ২৪
উষ্ণ শীত বুলিয়া আলাস নকৰিব॥
অল্প কৰ্ম্ম হোক মুহি কৰোক তাঙ্গৰ।
এহি তিনি গোটা গুণ হৈৰ গৰ্দ্দভৰ॥
সভা মধ্যে নোশোভন্ত অপবিত্ৰ ঠগ। (২৫)
পণ্ডিতৰ লগে যেন হংস মধ্যে বগ॥
সভাৰ মধ্যত তাক শোভা নকৰয়।
মাতা বৈৰী পিতা শত্ৰু বুলিয়া নিন্দয়॥
চিন্তাৰ সমান জ্বৰ নাহি পুৰুষৰ—(২৬)
মৈথুন কালত জ্বৰ জানিবা অশ্বৰ।

ৰাজসেৱা কৰিব দেৱতা হেন কৰি।
আজ্ঞা বাণি কৰিবন্ত হেলা পৰিহৰি॥
হৈৰন্ত দাৰুণ আতি কটুৰ বচন।
সমস্তে ডৰাই তাক সুবুজন্তমন॥

(১৪) অবিশ্ৰামং বহেদ্ভাৰং শীতোষ্ণং চনবিন্দতি
সসন্তোষস্তথা নিত্যং ত্ৰীনি শিক্ষেত গৰ্দ্দভাৎ।

(২৫) মাতা শত্ৰুঃ পিতা বৈৰী যেন বালো ন পাঠিতঃ
ন শোভতে সভামধ্যে হংসমধ্যে বকো যথা।

(২৬) চিন্তা জ্বৰো মনুষ্যানাং বস্ত্ৰাণামাতপো জ্বৰঃ
অসৌ ভাগ্যং জ্বৰঃ স্ত্ৰীনামশ্বানাং মৈথুনং জ্বৰঃ

স্বামীত অসূৰা নাৰী সমস্তৰে জ্বৰ।
ৰৌদ্ৰত শুখাইলে জ্বৰ জানিবা বস্ত্ৰৰ॥
চিন্তাবান্ পুৰুষ নিজীয়ে বহুদিন।
ঘুৰীৰ সংসৰ্গে ঘোৰা বল হবে হীন॥
স্বামীত অসূৰা নাৰী হৱয় মলিন।
যাৰ যেত গতি কহো শুনা ভিনে ভিন॥
নাৰীৰ নাহিকে গতি স্বামীত অপৰ। (২৭)
সমস্ত নদীৰ গতি জানিবা সাগৰ॥
মনুষ্যক পীড়া যদি কৰে শত্ৰুগণে।
তেবেগতি নাহি জানা নৃপতিত বিনে॥
পণ্ডিতৰ বচন জানিবা বেদসম। (২৮)
মূৰুখে নজানি তাক বোলয় অধম॥
তেনৱ মূৰুখে যদি কহয় অপাৰ।
তথাপিতো জানা পণ্ডিতৰ কথা সাৰ॥
ব্ৰাহ্মণ হৈবাৰ ফল বেদক জানিলে। (২৯)
কুলৰ জানিবা ফল শাস্ত্ৰক মানিলে॥

---

(২৭) … … … …
(২৮) … … … …
(২৯) … … … …

পুত্ৰ ভৈলে ফল ধৰে নাৰী সমস্তৰ।
লাৰিচাৰি খাই ফল জানিবা ধনৰ ॥
উপকাৰী জনক কৰিতে লাগে ভাল। (৩০)
শত্ৰুসমে মিত্ৰতা নাহিকে একো কাল ॥
শত্ৰুক নেৰিবা দ্বন্দ কৰিবা বিস্তৰ।
ধনবিত ভৰি কথা কৰিয়ো ওপৰ ॥
ভৰিত নিদিলে হাত ধোৱন নাযায়।
কাটাত নিদিলে কাটা কাঢ়ন নাযায় ॥
কাচা মৎস্য মাংস ঘৃত খাই যিবা নৰে ॥ (৩১)
যুবা নাৰী সমে যিটো আলাপক কৰে ॥
উষ্ণোদক ভুঞ্জয় ভোজন কৰে ক্ষীৰ।
গাছৰ তলত স্বস্থ কৰয শৰীৰ ॥
এহি ছয় বিধে প্ৰাণ শীতল কৰয়।
শুনিয়ো যিসবে কৰে প্ৰাণৰ সংশয় ॥

(৩০) উপকাৰ গৃহীতেন শত্ৰুনা শত্ৰুমুদ্ধৰেৎ।
পাদলগ্নকৰস্থেন কণ্টবেনৈব কণ্টকম্ ॥

(৩১) সদ্যো মাংসং নবান্নংচ বালাস্ত্ৰী ক্ষাৰ ভোজনং
ঘৃত মুষ্ণোদকশ্চৈব সদ্যঃপ্ৰাণ কৰাণিষট্।

বৃদ্ধা নাৰী সম্ভোগ শুখান মাংস খায়। (৩২)
কাঞ্জি দৈ ভুঞ্জে আগৰৌদ্ৰক পুহায় ॥
যিটো জনে প্ৰভাতে মৈথুন নিদ্ৰা কৰে।
এহি ছয়ে মনুষ্যৰ সদ্যে প্ৰাণ হৰে ॥
মনুষ্যৰ মিত্ৰৱৰ্তী নাহিকে ৰজ্ঞাত। (৩৩)
নাহিকন্ত মিত্ৰৱতী চোৰ খলুৱাত ॥
সৰ্পসমে মিত্ৰতা কৰিবে নুহি ভাল।
ইচাৰিত মিত্ৰতা নৰহে চিৰকাল।
অৰণ্য মধ্যত পুষ্প আছে এক ডাল। (৩৪)
সুগন্ধিকা পুষ্প ফল দেখিবাক ভাল ॥
তাৰ গন্ধে আমোদিত যত তৃণ বন।
বংশত সুপুত্ৰ ভৈলে ৰাখে জ্ঞাতিগণ ॥
একপুত্ৰে আনন্দ কৰয় সমস্তৰ।
শুনিয়োক যেন গুণ কহো কুপুত্ৰৰ ॥

---

(৩২) শুষ্কং মাংসং স্ত্রিয়ো বৃদ্ধা বালার্ক স্তৰুণং দধি
প্ৰভাতে মৈথুনং নিদ্ৰা সদ্যঃ প্ৰাণ হৰাণি ষট্।

(৩৩) ... ... ... ...

(৩৪) একে নাপি সুবৃক্ষেণ পুষ্পিতেণ সুগন্ধিনা
বাস্যতেতদ্ বনং সৰ্ব্বং সুপুত্ৰেণ কুলং যথা।

কুবৃক্ষ এক ভাল আছয় বনত। (৩৫)
ওপজয় হুতাশন তাৰকোটৰত ॥
সেহি অগনিত লাগি পোৰে সব বন। *
কুবৃক্ষৰ লগে আন বৃক্ষৰ মৰণ ॥
চোৰ ডকা দেই ব্ৰাহ্মণৰ বিত্ত হৰে।
আপুনি পাপত পচে বংশ নাশ কৰে ॥ †
বিদ্যাৰ সমান বন্ধু নাহি স্বৰূপত। (৩৬)
ব্যাধিৰ সমান শত্ৰু নাহি সংসাৰত ॥
পুত্ৰৰ সমান স্নেহ নাহি ৰবিতলে।
কদাচিতো আশা নকৰিবা পৰহলে ॥
পৰক কৰিলে আশ পাই অপমান।
শুনিয়ো যিসব বস্তু বিষৰ সমান ॥

---

(৩৫) একে নাপি কুবৃক্ষেণ কোটৰস্থেন বহ্নিনা
দহ্যতে তদ্‌বনং সৰ্ব্বং কুপুত্ৰেণ কুলংযথা।

( ৩৬) নচ বিদ্যা সমো বন্ধুঃ নচব্যাধি সমো ৰিপুঃ
নচাপত্য সমঃ স্নেহঃ নচ দৈবাৎ পৰং বলং।

* তাৰ অগনিয়ে লাগি পোৰে সব বন।
—পাঠান্তৰে।—

† ওপৰঞ্চি—
বংশত কুপুত্ৰ ভৈলে জানা সেহি নয়।
তাৰ অপযশে সব বংশক পাৰয় ॥
—মাধৱ দাস।

কৰিবে নোৱাৰে বিদ্যা বোলে শিখিবাক ॥(৩৭

বিষত অধিক ৰিদ্যা বুলি মানে তাক।

ৰিষত অধিক পঢ়িবাক নাই মন।

তাহাত অধিক বিষ অজীর্ণ ভোজন ॥

দৰিদ্ৰৰ পুত্ৰে বিষ মনে থাকে গুণি।

তাহাত অধিক বিষ বৃদ্ধৰ তৰুণী ॥

যাহাৰ ঘৰত নাই পণ্ডিতৰ নাম। (৩৮)

তাৰ বহুশাস্ত্ৰ থাকিবাৰ কোন কাম ॥

যেন অন্ধকৰ তাৰ নাহিকে লোচন।

সিটো কি কাৰ্য্য লাগি লৈবেক দৰ্পণ ॥

ব্ৰাহ্মণ সবৰ গুৰু জানা হুতাশন। (৩৯)

সমস্ত জাতিৰ গুৰু জানিবা ব্ৰাহ্মণ ॥

ভাৰ্য্যাৰ নাহিক গতি বিনে নিজপতি।

সমস্ত জাতিৰ গুৰু জানিবা অতিথি ॥

---

(৩৭) দুৰধিতা বিষং বিগ্মা অজীৰ্ণে ভোজনং বিষং
বিষং গোষ্ঠি দৰিদ্ৰতা বৃদ্ধস্য তৰুণী বিষম্।

(৩৮) যস্য নাস্তি নিজ্ঞা প্ৰজ্ঞা শাস্ত্ৰং তস্য কৰোতি কিম্
লোচনাভ্যাং বিহীনস্য দৰ্পনঃ কিং কৰিষ্যতি।

(৩৯) গুৰু ৰগ্নি দ্বিজাতীনাং ৰৰ্ণানাং ব্ৰাহ্মণোগুৰুঃ
পতিৰেকো গুৰু স্ত্ৰীনাং সৰ্ব্বত্ৰাভ্যাগতো গুৰুঃ।

ঘৃতৰ কলস যেন সমস্ত কামিনী। (৪০)
যুৱত পুৰুষ সব জলন্ত অগণি ॥
নাৰীয়ে পুৰুষে যদি হোৱে একস্থান।
সম্ভোগ নভৈলে তাৰ নাহি পৰিত্ৰাণ ॥
নাৰীৰ পৰশে মন বাতুল বৃদ্ধৰ।
ঘৃত অগনিৰ তাৰ সেহি পটন্তৰ ॥
নিজ তনয়ক পিতৃ কৰিব আদৰ। (৪১)
প্ৰাণসম দেখিবেক পঞ্চম বছৰ ॥
পাচে দশ বছৰ দেখিব শত্ৰু প্ৰায়।
ষোড়শ বছৰে থাকিবেক যেন ভাই।
ওঠৰ বছৰ ভৈলে নামানে বচন।
কতো ভাল হোৱে কতো হোৱয় দুৰ্জ্জন ॥
আদৰ কৰিলে নিজ পুত্ৰ হবে নীচ। (৪২)
তাড়না না পাইলে বিদ্যা নিশিকন্ত শিষ্য ॥

---

(৪০) ঘৃত কুম্ভ সমা নাৰী তপ্তাঙ্গাৰ সমঃপুমান্
তস্মাদ্ ঘৃতং চ বহ্নিং চ নৈকত্ৰ স্থাপয়েদ্ বুধঃ।

(৪১) লালয়েৎ পঞ্চবৰ্ষানি দশ বৰ্ষানি তাড়য়েৎ
প্ৰাপ্তেষু ষোড়শেবৰ্ষে পুত্ৰে মিত্ৰ বদাচৰেৎ ;

(৪২) লালনে বহবো দোষাস্তাড়নে বহবো গুণাঃ।
তস্মাৎ পুত্ৰং চ শিষ্যং চ তাড়য়েন্নতু লালয়েৎ ॥

শিষ্যক পুত্ৰক ভাল কৰিব যিজন।
কৰিব তাড়না তাক নকৰি লালন ॥
এহিমতে ভাল মন্দ শিষ্যৰ পুত্ৰৰ।
শুনিয়ো প্ৰমান কহোঁ অধম মিত্ৰৰ।
পাচত অনিষ্ট চিন্তে আগে চিন্তে হিত। (৪৩)
কুমন্ত্ৰনা দিয়া লাবিবাক চাৱে চিত্ত ॥
সেহিটো অধম মিত্ৰ নপাই তাৰ চিত।
বিষ কলসৰ যেন মুখত অমৃত ॥
কুমিত্ৰত বিশ্বাস নাই নাপাই তাৰ মতি। (৪৪)
কুভাৰ্য্যাৰ লগে তাৰ হৰাইব সুকৃতি ॥
দুষ্ট ভাৰ্য্যা সমে প্ৰীতি নাহি একো কাল।
শুনিয়ো যিসব বস্তু নুহিকন্ত ভাল ॥
বস্ত্ৰ নাহি অলঙ্কাৰে নকৰে শোভন। (৪৫)
দধিঘৃত না থাকিলে আসুৰী ভোজন ॥
নাৰীৰ নাহিকে স্তন সৰ্ব্বাঙ্গে সুন্দৰী।
তিনিয়ো নুহিকে ভাল থোৱা দূৰ কৰি ॥

---

(৪৩) পৰোক্ষে কাৰ্য্য হন্তাৰং প্ৰত্যক্ষে প্ৰিয়বাদিনং
বৰ্জ্জয়েদ্ যত্নতো বন্ধুং বিষকুম্ভং পয়ো মুখম্।

(৪৪) ... ... ... ... ...

(৪৫) বস্ত্ৰহীন স্তলঙ্কাৰো ঘৃত হীনঞ্চ ভোজনং
স্তন হীনাচ যানাৰী দুৰতঃ পৰি বৰ্জ্জয়েৎ।

আপোনাৰ ঐশ্বৰ্য্যক নথবা পৰত। (৪৬)
ভাৰ্য্যাক নথবা কেহো পৰৰ ঘৰত ॥
গৰু সব নষ্ট হৱে পৰগৃহে থৈলে।
ব্ৰাহ্মণ হৱয় নষ্ট পৰগৃহে থাইলে ॥
সমস্তত থাইলে দ্বিজ অধম হৱয়।
শুনা যি কাৰ্য্যত নকৰিবা লাজ ভয় ॥
ধনধান্য আৰ্জ্জিয়া পাৱয় যিবা সাজ। (৪৭)
শিখিবা অনেক বিদ্যা নকৰিবা লাজ ॥
আহাৰে বিহাৰে লাজ ভাৱ সুযুয়ায়।
ছলে বলে আনিবা বৰ্ত্তিবা খুজি খায় ॥
অবংশত ৰাজা যদি হৱে এক জন। (৪৮)
দৰিদ্ৰ সকলে যদি পাৱে বহু ধন ॥
মুৰুখৰ বংশে যদি হৱয় পণ্ডিত।
পৃথিবী নধৰে আতি তিনিৰ ফণ্টিত ॥
বোলয় আমাৰ সম নাহি ত্ৰিভুবনে।
সমস্তকে তৃণ সম দেখে তাৰ মনে ॥

---

(৪৬) ... ... ... . .

(৪৭) ধনধান্য প্ৰয়োগেষু বিদ্যামভ্যসনেষুচ
আহাৰেচ বিহাৰেচ ত্যক্ত লজ্জঃ সদা ভবেৎ।

(৪৮) অবংশ পতিতো ৰাজা মূৰ্খপুত্ৰস্ত পণ্ডিতঃ
নিৰ্দ্ধনোঽপি ধনং প্ৰাপ্য তৃণবন্মন্যতে জগৎ ॥

সৰ্ব্বকালে যিটো ৰাজা হবে ধনৱন্ত। (৪৯)
সৰ্ব্বকালে যাৰ বংশে পণ্ডিত হৱন্ত॥
তাসম্বাৰ দম্ভদৰ্প নাহিকে মনত।
ইহাৰ দৃষ্টান্ত আচে নৈয়োক মৎস্যত॥
অগাধ জলৰ মাজে ৰৌমাছ থাকে। (৫০)
ডেৱভাম্ফি কৰন্তে দেখিছে কোনে তাকে॥
থাকে যদি পুথিমাছ আঞ্চল জলত।
তাতে তাৰ ডেৱা ডেই আনন্দ মনত॥
অধম উত্তম ভৈলে কাহাকো নাচান্ত।
শুনা সৰ্ব্বজনে আক দেখিয়োঁ দৃষ্টান্ত॥
কুৱা পঙ্কজল বেঙ্গে কৰয় ভোজন। (৫১)
তাতে তাৰ মকমকি গৰ্ব্বিত বচন॥
শুনা সৰ্ব্বজনে আক নকৰিবা হেলা।
কৰিবাক লাগে আক প্ৰস্তাৱৰ বেলা॥
হোৱে সভাপণ্ডিত নাহিকে অন্যমথা।
বিৰচিলা ৰামপতি চাণক্যৰ কথা॥

---

(৪৯) ... ... ... ...

(৫০) অগাধ জলসঞ্চাৰী বিকাৰীনচ ৰোহিতঃ
অঙ্গুষ্ঠ জল মাত্রেন সফৰী ফৰফৰায়তে।

(৫১) দিব্যচূত ৰসং পিত্বা নগৰ্ব্বংযাতি কোকিলঃ
পিত্বা কৰ্দ্দম পানীয়ং ভেকোমক মকায়তে।

আছে বহু কথা আক শুনা যত্ন কৰি।
পাপ নষ্ট হৌক ডাকি বোলা হৰি হৰি ॥

---

## দুলৰী।

গুণৱন্ত চাই আপোন প্ৰজাই
পাতিবে সবে প্ৰজাক।
শুনা কৌতুহলে নৃপতি সকলে
লগত ৰাখিব যাক ॥
অতি কুলৱন্ত হৈব গুণৱন্ত (৫২)
স্বভাৱে অতি গম্ভীৰ।
সত্য ধৰ্ম্ম মত সবে জানিবন্ত
দয়াগ্ৰ হৈবন্ত থিৰ ॥
পাঞ্চলে কৰ্ম্মক কৰন্ত সত্বৰে
নকাৰ মনে আলাস।
সেহি সে জনক নৃপতি সকলে
আনি চপাইবেক পাশ ॥
দয়াবন্ত অতি সুখিৰ হৈবন্ত। (৫৩
জানিবে ধৰ্ম্ম কৰ্ম্মক।

---

(৫২) ... .. ... ...

(৫৩) .. ... .. ...

সমস্ত কাৰ্য্যত সূচক হৈবন্ত
বুজিবে সবে অৰ্থক ॥
কথা সুধিবাক নহৈব আলাস
সবাতে সমান মতি ।
দণ্ড অধিকাৰী সেহিটো জনক
পাতিবেক নৰপতি ॥
ইঙ্গিত আকাৰে কাৰ্য্য বুজিবেক (৫৪)
হৈব কিছু বলৱন্ত ।
নৃপতিক যিটো হিত মানি মনে
সদায় সেৱা কৰন্ত ॥
পাখিলে কৰ্ম্মক আলাস নকৰে
সাধি আসে প্ৰতিনিত ।
নৃপতি সকলে পাখিবাক লাগি
সেহি সে দূত উচিত ॥
ধনু আদি কৰি খড়্গ চৰ্ম্ম গদা (৫৫)
সমস্তক যিটো জানে ।

---

(৫৪) দূতং চৈব প্ৰকুৰ্ব্বীত সৰ্ব্বশাস্ত্ৰ বিশাৰদম্
ইঙ্গিতাকাৰ চেষ্টজ্ঞং শুচিং দক্ষং কুলোদ্গতং ।

(৫৫) গজাশ্বৰথ চৰ্য্যাসু শিক্ষিতং সুজিতশ্ৰমম্
খড়্গ যুদ্ধ নিযুদ্ধেষু শীঘ্ৰং চণ্ড ক্ৰমণক্ষমং
ব্যূহতত্ত্ব বিধানজ্ঞঃ ফল্গুসাৰ বিশেষবিৎ
ৰাজ্ঞো সেনাপতিঃ কাৰ্য্যো ব্ৰাহ্মণ ক্ষত্ৰিয়ো হ্যথবা

হস্তী ঘোৰা উট গৰ্দ্দভ মহিষ
চৰিব সব বাহনে ॥
আপোন প্ৰকৃতি দয়ালু হৈবন্ত
শত্ৰুত সমান প্ৰীতি । *
সেহিটো জনক নৃপতি সকলে
পাতিবেক সেনাপতি ॥
পিতৃ সমহিত কৰি যিটো জনে (৫৬)
শাস্ত্ৰ নীতি জানিবন্ত ।
নানাবিধ ঠান শৰৰ শয়ন
বান্ধিবাক জানিবন্ত ॥
আপুনিয়ো শুদ্ধ হৈব কুলবন্ত
জানিব ৰাচ বিচাৰ ।
সেহিটো জনক নৃপতি সকলে
পাতিবেক সূপকাৰ ॥
সমত্যা বুজিয়া ব্যৱস্থাক দিয়া (৫৭)
জানিব বস্তু থৈবাক ।

*শত্ৰুত কৰি নম্ৰাতি—পাঠান্তৰে ।

(৫৬) পুত্ৰ পৌত্ৰ গুণোপেতঃ শাস্ত্ৰজ্ঞো মিষ্ট পাচকঃ
শূৰশ্চ কুলীনশ্চৈব সূপকাৰঃ সউচ্যতে

(৫৭) ... ... ... ...

মানুষ চিনিয়া দিবাক জানিব
ন লাগে যেন হৈবাক ॥
লুভীয়া কূঠীয়া চোৰ নহৈবেক
হৈব আতি শুদ্ধমতি ।
ৰস্ত্ৰ অধিকাৰী তাহাক ভাণ্ডাৰী
পাতিব তাক নৃপতি ॥
সুন্দৰ শৰীৰ লাৱন্য হৈবেক (৫৮)
শুদ্ধ সত্ত্ব হৈব অতি ।
নিয়ম আচাৰ সমস্ত জানিব
হৈবেক উত্তম জাতি ॥
প্ৰস্ৰাব কৰিয়া জল আচাৰিয়া
হাত ধুই বান্ধিব চুলি !
কুটনাট মন্ত্ৰ একো নজানিব
সেহিটো ৰাজ তাম্বূলী ॥
ঠাক ঠিক চাই মৰন জীৱন
কহিবেক পাৰিবেক ।
মন্ত্ৰ তন্ত্ৰ নানা ঔষধ প্ৰকাৰ
অসংখ্যাত শিখিবেক ॥

---

(৫৮) আয়ুৰ্ব্বেদ কৃতাভ্যাসঃ সৰ্ব্বেষাং প্ৰিয়দৰ্শনঃ
আৰ্য্যশীল গুণোপেত এব বৈদ্যো বিধীয়তে ।

প্ৰাণী উপকাৰ ধৰ্ম্মক জানিবে
নকৰিব বহু গৈদ্য ।
আপোনাৰ গুণ গুৰুক নেৰিব
সেহি সে ৰাজাৰ বৈদ্য ॥
সমস্ত শাস্ত্ৰৰ তত্ত্ব জানিবেক (৫৯)
জপ হোম কৰে নিত ।
আশীৰ্ব্বাদ কৰে নিতে যিটো জন,
সেহি ৰাজ পুৰোহিত ।
ৰাজনীতি কথা নৃপতি সবৰ
কহিলোহো এহিমান ।
আন কথা যেবে কহো শুনিয়োক
বিদ্যাৰ যেন প্ৰমান ॥
ডাহিন পাৱক আগে থাপিবেক (৬০)
পাচে দিবে বাম পায় ।
যিটো বুদ্ধিমন্ত আগ পাচগুণি
চলিবেক এহি ভায় ॥

---

(৫৯) বেদ বেদাঙ্গ তত্বজ্ঞো জপ হোম পৰায়ণঃ
আশীৰ্ব্বাদ বচোযুক্ত এষ ৰাজ পুৰোহিতঃ ।

(৬০) চলত্যেকেন পাদেন তিষ্ঠত্যেকেন বুদ্ধিমান্ ।
শা সমীক্ষ্য পৰং স্থানং পূৰ্ব্বমায়তনং ত্যজেৎ ॥

পাশা নেখেলাবা ধাৰে নিদিবাহা
নামাতিবা পৰনাৰী।
কহিলো নিশ্চয় জানিবা তেবেসে
মিত্ৰতা ৰাখিবে পাৰি ॥
এহি তিনি কৰ্ম্ম কৰিলে জানিবা
দুইৰো দুই হৱে গন্দ।
কাহাৰো পীৰিতি কাহাতো না থাকে
লাগে অপ্ৰয়াসে দ্বন্দ্ব ॥
দাতাত মাগিলে সুভিক্ষা মিলয় (৬৫)
বিস্তৰ দিবাক পাৰে।
দৰিদ্ৰত যেন দৰিদ্ৰে মাগিলে
দুখ মাত্ৰ আপোনাৰে ॥
সুখৰ মধ্যত আৰোগ্য সমান (৬৬)
আন কিছু সুখ নাই।
যদি ধন ৰত্ন থাকে অসংখ্যাত
সবেয়ো থাকন্ত চাই ॥
নাৰী সকলৰ, স্বামী বিনে সুখ
আন নাহি আত পৰে।

---

(৬৫) ... ... ... ...
(৬৬) ... ... ... ...

আৰ্জ্জিত বস্তুক ভুঞ্জিবাক পাইলে (৬৭)
সমস্তে আনন্দ কৰে ॥
যি সব দেশত নাহিকে সম্মান
নকৰস্তু সত কাৰ ।
মিত্ৰ নাহিকন্ত, বান্ধৱ নাহিকে
বন্ধুগণ আপোনাৰ ॥
একো বিদ্যা যদি দেখিবে ন পাৰে,
আসিবেক পৰিহৰি ।
খুজিয়ো নাপায় বান্ধৱ নাহিকে
জীবো তাত কেন কৰি ॥
পণ্ডিতক নিন্দি মুৰুখকদেই (৬৮)
তাক দানী বুলি হত ।
হতযজ্ঞ বুলি দান নকৰয়
দক্ষিণা নাহিকে যাত ॥
ৰূপৱতী কন্যা স্বামী নাহিকন্ত
তাহাক বোলন্ত হত ।

---

(৬৭) যস্মিন্ দেশে ন সম্মানো ন প্ৰীৰ্ত্তিনচবান্ধবঃ
নচ বিদ্যাগমঃ কশ্চিৎতং দেশং পৰিবৰ্জ্জয়েৎ ।

(৬৮) ... ... ... ...

ইতিনি নভৈলে তিনিৰো তুংৰ
বুজিমাত্ৰ লয়ো তত্ব ॥
বেশ্যা সকলৰ শত্ৰু নাহিকন্ত (৬৯)
সবাতে সমান চিত।
মুখতেসে মাত্ৰ. অহিত চিন্তয়
হৃদয়ে চিন্তয় হিত ॥
বেশ্যা সকলৰ, নিতে নিতে যেন
আন পুৰুষক মন।
গৰু সবে যেমন বিচাৰি ফুৰয়
নিতে নিতে নব বন।
আপোনাৰ নিজ বৃত্তিসে শোভন * (৭০)
জানিবাহা পুৰুষৰ।
ফুলিলে সে জানা শোভন হৱয়
বৃক্ষলতা শুভকাৰ ॥
সমস্ত জাতিৰ বৃত্তিসে শোভন
জানিবা আৰু সম্প্ৰতি।
নাৰী সকলৰ জানিবা ভূষণ
থাকে যদি নিজ পতি ॥

---

(৬৯) ... ... ... ...
চৰিত্ৰ ভূষণ—পাঠান্তৰে।—
(৭০) ... ... ... ...

সবে পৰ্ব্বতত মানিক না থাকে (৭১)
কোনো পৰ্ব্বতত থাকে ।
সমস্ত হস্তীত মুকুতা না থাকে
নিশ্চয় জানিবা তাকে ॥
সকল ব্ৰাহ্মণ সাধু নুহিকন্ত
আছে কতো থানে থানে ।
কতোহো বনত চন্দন থাকন্ত
নথাকন্ত সব বনে ॥
পাঠালেসে জানি ভৃত্যৰ লক্ষণ (৮২)
কেনে মতে সেৱা কৰে ।
বান্ধৱৰ চিন্ন অপদত পায়
এবে কিবা চাপি ধৰে ॥
নিদান কালত মিত্ৰৰ প্ৰমান
ভাল মন্দ বুজি পায় ।
দৰিদ্ৰ কালত ভাৰ্য্যাৰ প্ৰমাণ
থাকে বা এৰিয়া যায় ॥

(৭১) শৈলে শৈলে নমানিক্যং মৌক্তিকং ন গজে গজে
সাধবো নাহ সৰ্ব্বত্ৰ চন্দনো ন বনে বনে ।

(৭২) জানীয়াৎ প্ৰেষণে ভৃত্যান্ বান্ধবান্ ব্যসনাগমে
মিত্ৰং চাপদিকালেচ ভাৰ্য্যাংচ বিভৱক্ষয়ে ।

অতি মৃদু ভাৱ বৈলে মুহি ভাল,(৭৩)
কেহো তাক ন ডৰাই।
যেন কুহিয়াৰ তিতা কেহা নাই
মিঠা পায় সবে খায় ॥ ❋
কদলী বৃক্ষক ঢিলা কেসে যেবে
চৰা লেয়ো মাৰে ঘাৱ।
যেহেন শিলক ডাঙ্গৰে না কাটে
বোলে জানো ভাঙ্গে দাৱ ॥
সাধু সমস্তেয়ো ধৰ্ম্মকেসে চিন্তে (৭৪)
আহাৰক নিচিন্তয়।
আহাৰ আসিয়া আগে দেখা দেই
মনুষ্য পাছে হৱয়।
মাতৃৰ গৰ্ভত যেতিয়া থাকয়
আগে দেখা দেই স্তন। ❋

---

(৭৩) ... ... ... ...
হীন পুৰুষক নাহিকে অপেক্ষা ভালমুখে নেদে মাত।
ইহাৰ কাৰণ কহো শুনিয়োক
দেখিয়া আছা সাক্ষাত—মাধৱদাস।
(৭৪) গৰ্ভস্থস্তত্তুযঃ পূৰ্ব্বং বৃত্তিং কল্পিতবান্ পয়ঃ
শেষ বৃত্তি বিধানায় সকিংসুপ্তোঽথবা মৃতঃ।

মনুষ্যত *কৰি আহাৰে সে আগ
জা নবা নিষ্ঠ বচন ॥
নি"লীৰ বল নৃপতি সকল (৭৫)
কান্দিলে বল শিশুৰ ।
মূৰখৰ বল নমাতি থাকিলে
নির্ভয়ে † বল চোৰৰ ।
ঋণৰ শেষক ব্যাধিৰ শেষক (৭৬)
শত্রুৰ ন থৈবা শেষ ।
অলপ থাকিলে বিস্তৰ হবয়
গুছাইবা তাক নিশেষ ।
ব্রহ্ম বধী জন পূজিত হবন্ত (৭৭)
যদি থাকে বহু জন ।

---

(৭৫) দুর্ব্বলস্য বলং ৰাজা বালানাং ৰোদনং বলং
বলং মূর্খস্য মৌনিত্বং চৌৰাণা মনৃতং বলম ।
(৭৬) ঋণ শেষোঽগ্নি শেষশ্চ ব্যাধি শেষ স্তথৈবচ
পুনশ্চ বর্দ্ধতে যস্মাৎ তস্মাচ্ছেষং নকাৰযেৎ ।
* আসিহৱে উপসন্ন—পাঠান্তৰে ।
† মিছায়ে—পাঠান্তৰে ।
(৭৭) ব্রহ্মহাপি নৰঃ পূজ্যো যস্যাস্তি বিপুলং ধনং ।
শশিন স্তুল্য বংশোঽপি নির্দ্ধনঃ পৰিভূয়তে ॥

ধনহীন ভৈলে কুলীনে অধম
জানিবা নিষ্ঠ বচন ।
শুনা সভাসদ চাণক্যৰ পদ
ওপজে মনত জ্ঞান ।
ইহাক শুনিলে প্ৰস্তাৱৰ বাক্য
ফল হৱে এহিমান ॥
বহু সম্পদক দিবাক নপাৰে
সাৰিবে নপাৰে গতি ।
প্ৰস্তাৱৰ কথা জানি চাণক্যৰ
ৰচিলোঁ পদ সম্প্ৰতি ॥
হেন জানি আক হেলা নকৰিবা
শিখিলৈয়ো অবিশ্ৰাম ।
গুৰুৰ চৰণে হৃদয়ে ধৰিয়া
ডাকি বোলা ৰাম ৰাম ॥

---

## পদ ।

চোৰ বৈৰী গৃহস্থৰ আয়ক দেখয় । (৭৮)
কদাচিতো ইটো দুই ব্যয় নেদেখয় ॥

---

(৭৮) ... ... ... ... ...

মধ্যস্থ সকলে মাত্র দেখে আয় ব্যয়।
সুহৃদে দেখয় ব্যয় আয় নদেখয় ॥
ব্রাহ্মণ হোৱন্ত তুষ্ট সম্পূর্ণে ভোজনে। (৭৯)
ময়ূৰ পক্ষীৰ তুষ্ট মেঘৰ গৰ্জ্জনে ॥
পৰৰ কল্যানে সাধু সব তুষ্ট মতি।
চোৰ খলুয়াৰ ৰঙ্গ পৰৰ বিপত্তি ॥
একক তেজিয়া তভু ৰাখিবে কুলক। (৮০)
কুলক তেজিয়া সবে ৰাখিবে গ্ৰামক ॥
গ্ৰামক ৰাখিয়া নিজ প্ৰাণ ৰাখিবেক।
আপুনি নৰিলে পাছে দেশচাৰিবেক ॥
কোকিল পক্ষীৰ ৰূপ সুস্বৰ বচন। (৮১)
স্ত্ৰীৰ ৰূপ সেৱা কৰে স্বামীৰ চৰণে ॥
বিদ্যাৰ সমান ৰূপ নাহি পুৰুষৰ।
ক্ষমাৰ সমান ৰূপ নাহি বৈষ্ণৱৰ ॥

---

(৭৯) নৃত্যন্তি ভোজনে বিপ্ৰাঃ ময়ূৰাঃ মেঘ:দৰ্শনে
সাধবঃ পৰ সম্পৎসু খলাঃ পৰ বিপত্তিষু

(৮০) ত্যজে দেক কুলস্যাৰ্থে গ্ৰামস্যাৰ্থে কুলং ত্যজেৎ ॥
গ্ৰামং জন পদং স্যাৰ্থে আত্মাৰ্থে পৃথিবীং ত্যজেৎ ॥

(৮১) কোকিলানাং স্বৰোৰূপং নাৰীণং প্ৰতিব্ৰতং
বিদ্যাৰূপং কু ৰূপানাম্ ক্ষমা ৰূপং তপস্বিনাম্ ॥

দূৰত থাকিলে শোভা মূৰুখ জনৰ । (৮২)
অলঙ্কাৰ পিন্ধে যদি পাট পাটম্বৰ ॥
অল্প বেলি মাত্র তাক কৰয় শোভন ।
যাবত সভাত কিছু নোবোলে বচন ॥
বচনত তাৰ সবে উমানক পাৰে ।
জানিয়া তাহাক সবে মূৰ্খ ভাবে পাৰে ॥
মূৰ্খ ভৈলে বস্ত্র অলঙ্কাৰ কিয় পিন্ধে ।
আগত নোবোলে একো পাছে তাক নিন্দে ॥
ক্ষণে আসিবাৰ তাৰ কুবুদ্ধি স্বভায় ।
সাধু সবে বোলে আৰ পাইবি পৰ ভাৱ ॥
খলুয়াৰ দোষে তাৰ বংশে দুখ পান্ত ।
শুনিয়োক কহো আবে ইহাৰ দৃষ্টান্ত ॥
সীতাক হৰিয়া যাতো নিলা লঙ্কেশ্বৰ । (৮৩)
তাৰদোষে বন্ধুগণ গৈলা যমঘৰ ॥
যাতো তাকো আচৰিয়া আছন্ত সাগৰ ।
তাতেসে বান্ধিলে সেতু ৰাম গদাধৰ ॥

---

(৮২) দূৰতঃ শোভতে মূৰ্খো লম্বশাত পটাবৃতঃ ।
তাবচ্চ শোভতে মূৰ্খো যাবৎ কিঞ্চিন্ন ভাষতে ॥
(৮৩) খলঃ কৰোতি দুৰ্ব্বৃত্তং নুনং ফলতি সাধুষু
দশাননোঽহৰৎ সীতাং বন্ধনন্তু মহোদধেঃ ।

পাছে যদি হিতচিন্তে সেহি বন্ধু জন। (৮৪)
নিজ মিত্রে শত্রু জানা এহিসে কাৰণ ॥
যেন মহা দুখ দেই শৰীৰৰ ব্যাধি।
মহা উপকাৰী যেন বনৰ ঔষধি ॥
জানিবাহা নিষ্ট কৰি সেহি পটন্তৰ।
কাহলো প্ৰমান ইটো অধম মিত্ৰৰ ॥
অতি দান অতি দৰ্প নু'হকন্ত ভাল। (৮৫)
অতি ৰূপৱতী কন্যা নুহিকন্ত ভাল ॥
অতি দানে বলী ৰাজা পাইলেক বন্ধন।
অতি দৰ্পে নষ্ট ভৈলা লঙ্কাৰ ৰাৱন ॥
অতি ৰূপে সীতাৰ দুখৰ নাহিপাৰ।
তিনিয়ো নুহিকে ভাল জানা সাৰে সাৰ ॥
অনেক বৃক্ষৰ ফল মধুৰস খায়। (৮৬)
তথাপিতো কোকিলৰ মদ গৰ্ব্ব নাই ॥

---

(৮৪) ... ... ... ... ...

(৮৫) অতিৰূপে হৃতা সীতা (১) অতি মানেচ কৌৰবাঃ
অতিদানে বলিৰ্ব্বদ্ধঃ সৰ্ব্বমত্যন্ত গৰ্হিতং।

(১) অতিদৰ্পে হতা লঙ্কা—পাঠান্তৰে।

(৮৬) দিব্যং চূতৰসং পিত্বা ন গৰ্ব্বং যাতি কোকিলঃ,
পিত্বা কৰ্দ্দম পানীয়ং ভেকো মক মকায়তে।

কু ৰ' পঙ্কজল যেঙ্গে কৰন্ত ভোজন।
তাকথায় মক মকি গৰ্ব্বিত বচন॥
উত্তমে অধমে কৈতো নুহিকে সমান। (৮৭)
শুনা সৰ্ব্বজন আক দেখাইলো প্ৰমাণ॥
সুবৰ্ণৰ মনি যদি পিন্ধব্ব পাৰত।
কাঞ্চ মণি পিন্ধে যদি শিৰত গলত॥
তথাপিতো কাঞ্চমনি নুহি সমসৰ।
কাঞ্চত কৰিয়া জানা সুবৰ্ণ ডাঙ্গৰ॥
শিশুকালে পিতৃৰ লাগয় ৰাখিবাক। (৮৮)
যুবা কালে স্বামী ৰক্ষা কৰিবে ভাৰ্য্যাক॥
বৃদ্ধ কালে ৰাখিবাক লাগয় পুত্ৰৰ।
তিনিয়ো কালত নাৰী নোহে স্বতন্তৰ॥
স্থান ভ্ৰষ্ট ভৈলে সিটো থাকতে নপাৰি। (৮৯)
আপোনাৰ শৰীৰত চাহিয়ো বিচাৰি॥
নখকেশ দান্তাদি থান হন্তে গুছে।
কৰে অনাদৰ আৰু কোনে তাক পুছে।

---

(৮৭) মণি লুণ্ঠিত পাদেন কাচঃ শীৰসি ধাৰ্য্যতে
যথৈ বাস্ত তথৈ বাস্ত কাচঃ কাচোমনিৰ্ম্মণিঃ।
(৮৮) পিতা ৰক্ষতি কৌমাৰে ভৰ্ত্তা ৰক্ষতি যৌবনে
পুত্ৰস্তু স্থবিৰে কালে ন স্ত্ৰী স্বাতন্ত্ৰ্য মৰ্হতি।
(৮৯) ... ... ... ...

সেই মতে পুৰুষে হৰাই নিজ থান।
নাথাকে সম্ভ্ৰম কেহো নকৰে সম্মান ॥
পৰদেশে হীনহয়ে ক্ষীণ হয়ে কান্তি।
শুনা আৰ কলিত যি নাৰী থাকে শান্তি ॥
যদি ওচৰত তাৰ নাথাকন্ত বন। (৯০)
আৰু যদি অবজৰ নাপায়ে তেখন।
যদি ওচৰত নাথাকন্ত দুষ্ট জন।
হাস পৰিহাস কেহো নোবোলে বচন ॥
তেবেসে জানিবা সিটো নাৰী থাকে শান্তি।
এহি কথা বিদুৰত কহিলন্ত কুন্তী ॥
কহিবোহো কথ আবে কৰিবন্ত সাৰ।
এক মনে বিদ্যাগণ শিখিব অপাৰ ॥
বহুধন অৰ্জ্জিবে থাকিবে গৃহ বাসে। (৯১)
ধৰ্ম্মক দেখিব মৃত্যু ধৰিবা নপসে ॥
নমৰোহো বুলি আৰ্জ্জিবেক বহু ধন।
মৰো হেন বুলি কৰিবেক ধৰ্ম্মগণ ॥
পেষন্তে সৰিৰা তেল টোপা টোপা সৰে।
তথাপিতো দিবসত এক ঘট ভৰে ॥

---

(৯০) ... ... ... ...

(৯১) অজৰামৰবৎ প্ৰাজ্ঞো বিদ্যা মৰ্থঞ্চ চিন্তয়েৎ।
গৃহীত ইব কেশেষু মৃত্যুনা ধৰ্ম্মমাচৰেৎ।

সেহিমতে অল্প অল্প আৰ্জ্জি বহুধন।
অল্প অল্প কৰি শিখিবেক বিদ্যাগণ।
অল্প অল্প কৰিয়া ধৰ্ম্মত দিব মতি।
এতেকে কৃষ্ণৰ পাৱে বাৰিবে ভকতি॥
লোকে পুচে বাপু তুমি কেনে আছা ভালে। (৯২
সম্মুখি বোলয় বাপু আছোহো কুশলে॥
মুখে মাত্ৰ কহন্ত সুগুণি সিটো মনে।
সূৰ্য্যৰ লগত আয়ু যায় দিনে দিনে॥
শৰীৰত থাকিবে অনেক গুণগণ। (৯৩)
বহু বিদ্যা শিখিবন্ত কৰিয়া যতন॥
এক তিলে শৰীৰ হৈবন্ত ছাৰখাৰ।
বিদ্যাৰে সে মান্য থাকে চন্দ্ৰ দিবাকৰ॥
যেন সৰ্প ক্ৰূৰ জাতি না পায় তাৰ মন। (৯৪)
তাহাতো অধিক ক্ৰূৰ খলুয়া দুৰ্জ্জন॥
মন্ত্ৰ যদি শুনে সৰ্প চপৰান্ত শিৰ।
বিস্তৰ ভাষিলে দুষ্ট জন হৱে ধীৰ॥

---

(৯২) লোকঃ পৃচ্ছতি সদ্বাৰ্ত্তাং শৰীৰে কুশলং তব।
কুতঃ শৰীৰ মস্মাকম্ আয়ুৰ্য্যাতি দিনে দিনে।

(৯৩) ... ... ... ...

(৯৪) সৰ্পঃ ক্ৰূৰঃ খলঃ ক্ৰূৰঃ সৰ্পাৎ ক্ৰূৰতৰঃ খলঃ
মন্ত্ৰৌষধি বশঃ সৰ্পঃ খলঃ কেন নিবাৰ্য্যতে।

সাপী যেন শৰীৰত যাৰ মাত্ৰ চাই। (৯৫)
পণ্ডিত সন্তোষ হৱে সতকাৰ পাই॥
আপোনাৰ সদৃশ অন্যক পাইবে নাই।
আপোনাৰ সম জানা মিত্ৰক নাপাই॥
মূৰ্খক কৰন্ত দান তাৰ নাম হত। (৯৬)
যজ্ঞহত হোযন্ত দক্ষিণা নাহি যাত॥
হতশূন্য বুলি যাৰ নাহিকে নায়ক।
ৰাৱণে হৰিয়া যাতো নিলন্ত সীতাক॥
লগত থাকয় যদি শ্ৰীৰাম লক্ষণ।
তেবেকি সীতাক নিৱে পাৰয় ৰাৱন॥
অষ্ট ভোজনৰ বস্তু থাকয় বিস্তৰ। (৯৭)
ভুঞ্জিবাক নপাৰন্ত দেহা অথান্তৰ॥
ৰূপে গুণে থাকে নাৰী সৰ্ব্বাঙ্গে সুন্দৰী।
নুহিকা স্বভাৱে থাকে পুৰুষক ডৰি॥
অনেক ঐশ্বৰ্য্য তাৰ থাকয় সম্প্ৰতি।

---

(৯৫) ... ... ... ...

(৯৬) হতম শ্ৰোত্ৰিয়ে দানং হতো যজ্ঞস্ত্ব দক্ষিণঃ
হতা ৰূপবতী বন্ধ্যা হতং সৈন্য মনায়কম্!

(৯৭) ভোজ্যং ভোজনশক্তিশ্চ ৰতিশক্তিৰ্বৰস্ত্ৰিয়ঃ
বিভবো দান শক্তিশ্চ নাল্পস্য তপসঃ ফলম্।

দান কৰিবাক লাগি নাহিকে শকতি ॥
তিনিকো তিনিয়ে যদি হয় অবিকল।
ইজন্মৰ ফল নুহি পূৰ্ব্ব জন্মৰ ফল ॥
নৃপতিয়ো ভৈলে কুৰুক্ষেত্ৰকে নজানে। (৯৮)
মূৰ্খ পুত্ৰ ভৈলে নপঠাবো একো স্থানে ॥
নৃপতিৰ লগে ৰাখিবাক ভাল নুই।
তাক লগে ৰাখিলে অনেক পাপ হুই ॥
চোৰৰ নাহিকে নিদ্ৰা জানা সাৰে সাৰে। (৯৯)
চিন্তা ভৈলে ৰাতি সুখ নাহিকে তাহাৰ ॥
একো কাৰ্য্যে সুখ নাহি দৰিদ্ৰ জনৰ।
মনত নাহিকে সুখ কামী পুৰুষৰ ॥
এক পুৰুষৰ নাৰী হৱয় বিস্তৰ। (১০০)
তেবেকি মনক পুৰে সিটো পুৰুষৰ ॥
পাৱয় সম্পত্তি যদি তিনিয়ো ভুবন।
তেবেকি তাহাৰ জানা শান্ত হৱে মন ॥
অনেক নদীৰ জল পৰয় সাগৰে।
তেবেকি জানিবা সিয়ো সাগৰে নধৰে ॥

---

(৯৮) ... ... ... ...
(৯৯) ... ... ... ...
(১০০) ... ... ...

ঐশ্বর্য্য আকাৰে যদি হুয়া থাকে অন্ধ। (১০১)
অৰ্থ নষ্ট হবে যদি গুছে কৰ্ম্ম বন্ধ॥
আপোনাৰ বুদ্ধি ভাল আৰু গুৰু বুদ্ধি। (১০২)
পৰ বুদ্ধি লৈলে কাৰ্য্য নাহি হয় সিদ্ধি॥
স্ত্ৰীৰ বুদ্ধি লৈলে সিয়ো যায় অধোগতি।
চাণক্যৰ কথা এহি মানে সমাপতি॥
আৰু শুনি সাধু সবে নিন্দা নকৰিবা।
শাস্ত্ৰ চাহি তোৰা সবে আপুনি দেখিবা।
মই মহা অধম পামৰ দুষ্ট জন।
তথাপি ইহাক চাইবে মোৰ ভৈলা মন॥
হেন জানি নৰলোক তেজি আনকাম।
নিৰন্তৰে নৰে ভাবিবোলা ৰাম ৰাম॥

---

অন্ত।

---

(১০১) ... ... ...

(১০২) আত্ম বুদ্ধি শুভকৰী গুৰু বুদ্ধিঃ বিশেষতঃ
পৰবুদ্ধিঃ বিনাশায় স্ত্ৰী বুদ্ধিঃ প্ৰলয়ংকৰী।